## অধ্যায় ১৫

### ধৰ্ম সম্পৰ্কীয় অপৰাধবোৰৰ বিষয়ে

*কোনো শ্ৰেণীৰ ধৰ্ম অপমানিত কৰাৰ অভিপ্ৰায়েৰে উপাসনাৰ স্থানৰ ক্ষতি বা অপবিত্ৰ কৰা।*

২৯৫। যিয়ে, কোনো উপাসনাৰ স্থান বা কোনো শ্ৰেণীৰ ব্যক্তিয়ে পবিত্ৰ বুলি মান্য কৰা কোনো বস্তু নষ্ট, ক্ষতিগ্ৰস্ত বা অপবিত্ৰ এই অভিপ্ৰায়েৰে কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিৰ ধৰ্মৰ তাৰ দ্বাৰা অপমান কৰা হয় বা এইটো সম্ভাব্য বুলি জানি কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিয়ে এনে নাশ, ক্ষতি বা অপবিত্ৰ কৰাটো নিজৰ ধৰ্মৰ প্ৰতি অপমান বুলি বিবেচনা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

*ইচ্ছাকৃত আৰু বিদ্বেষপূৰ্ণ কাৰ্য্য যিকোনো শ্ৰেণীৰ ধৰ্ম বা ধৰ্মীয় বিশ্বাসৰ অপমানৰ দ্বাৰা ইয়াৰ ধৰ্মীয় অনুভূতি আহত কৰাৰ অভিপ্ৰায়েৰে কৰা হৈছে।*

[১][২৯৫ক। যিয়েই, [২][ভাৰতৰ নাগৰিক সমূহৰ] কোনো শ্ৰেণীৰ ধৰ্ম্মীয় অনুভূতি আহত কৰাৰ ইচ্ছাকৃত আৰু বিদ্বেষপূৰ্ণ অভিপ্ৰায়েৰে সেই শ্ৰেণীৰ ধৰ্ম বা ধৰ্ম্মীয় বিশ্বাসৰ অপমান [৩][হয়, কথিত বা লিখিত শব্দৰ দ্বাৰা বা সংকেতৰ দ্বাৰা বা দৃশ্যৰূপনৰ দ্বাৰা বা অন্যথা] কৰে বা কৰাৰ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি [৪][তিনি বছৰলৈ] বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

*ধৰ্মীয় সমাৱেশ বিঘ্নিত কৰা।*

২৯৬। যিয়েই, ধৰ্ম্মীয় উপাসনা বা ধৰ্ম্মীয় উৎসৱত বৈধৰূপে ৰত থকা কোনো সমাবেশত স্বেচ্ছাই বিঘ্নিত কৰায় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

*সমাধি স্থান ইত্যাদিৰ ওপৰত অনধিকাৰ প্ৰৱেশ।*

২৯৭। যিয়েই, কোনো উপাসনাৰ স্থানত বা কোনো সমাধিস্থানত বা অন্ত্যেষ্টি ক্ৰিয়াৰ বাবে বা মৃতকৰ অৱশেষৰ নিমিত্তে নিক্ষেপ স্থান ৰূপে আচুতীয়াকৈ ৰখা কোনো স্থানত অনধিকাৰ প্ৰবেশ বা কোনো মানৱ শৱৰ অসন্মান বা অন্ত্যেষ্টি ক্ৰিয়াৰ কাৰণে সমবেত কোনো ব্যক্তিক বিঘ্নিত এই অভিপ্ৰায়েৰে কৰে যে কোনো ব্যক্তিৰ অনুভূতিত আঘাত কৰে বা কোনো ব্যক্তিৰ ধৰ্ম্মৰ অপমান কৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তাৰ দ্বাৰা কোনো ব্যক্তিৰ অনুভূতিত আঘাত কৰিব বা ধৰ্ম্মৰ অপমান কৰিব,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

*ধৰ্মীয় অনুভূতিৰ আঘাত কৰাৰ ইচ্ছাকৃত অভিপ্ৰায়েৰে শব্দ উচ্চাৰিত কৰা ইত্যাদি।*

২৯৮। যিয়ে, কোনো ব্যক্তিৰ ধৰ্ম্মীয় অনুভূতিত আঘাত কৰাৰ ইচ্ছাকৃত অভিপ্ৰায়সহ সেই ব্যক্তিয়ে শুনাকৈ কোনো শব্দ, উচ্চাৰিত কৰে, বা কোনো শব্দ কৰে, বা সেই ব্যক্তিৰ দৃষ্টি গোচৰতাত কোনো অংগি ভঙ্গী কৰে, বা কোনো বস্তু ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

---

১। ১৯২৭ চনৰ ২৫ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

২। অনুকূলন আদেশ, ১৯৫০ ৰ "হিজ মেজেষ্টিৰ প্ৰজা" ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৬১ চনৰ ৪১ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

৪। উপৰোক্ত অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা "দুবছৰ" ৰ বাবে প্ৰতিষ্ঠাপিত।

## অধ্যায় - ১৬

### মানৱ শৰীৰৰ ওপৰত প্ৰভাৱ পেলোৱা অপৰাধবোৰৰ বিষয়ে

### জীৱনৰ ওপৰত প্ৰভাৱ পেলোৱা অপৰাধ বোৰৰ বিষয়ে

দোষাবহ নৰবধ।

২৯৯। যিয়ে, মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি ঘটোৱাৰ অভিপ্ৰায়েৰে বা তেনে কাৰ্য্যৰ দ্বাৰা যে তেওঁ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে এনে জ্ঞানেৰে কোনো কাৰ্য্য কৰি মৃত্যু ঘটায়, তেওঁ দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰে।

#### দৃষ্টান্ত সমূহ

(ক) "ক" ই গাঁত এটাৰ ওপৰত খুটি আৰু ঘাঁহ থকা চপৰা এই অভিপ্ৰায়েৰে ৰাখিলে যাতে তাৰ দ্বাৰা মৃত্যু ঘটিত হয় বা এই জ্ঞানেৰে ৰাখিলে যে তাৰ দ্বাৰা মৃত্যু ঘটোৱা সম্ভাব্য। "জ" ই ভূমি দৃঢ় বুলি বিশ্বাস কৰি ইয়াৰ ওপৰেদি খোজ কাঢ়িলে, ভিতৰত পৰিল আৰু তেওঁৰ মৃত্যু ঘটোৱা হ'ল। "ক" ই দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰিলে।

(খ) "ক" ই "জ" ক এটা জোপোহাৰ পিছ পিনে থকা বুলি জানে। "খ" ই এইটো নাজানে। "ক" ই "জ" ৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে বা এইটো জানি যে তাৰ দ্বাৰা "জ" ৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, "খ" ক জোপোহাটোলৈ গুলী কৰিবলৈ উৎপ্ৰেৰিত কৰিলে। "খ" ই গুলী কৰিলে আৰু "জ" ৰ মৰণ ঘটালে। ইয়াত "খ" কোনো এটা অপৰাধৰ বাবে দোষী নহব পাৰে, কিন্তু "ক" ই দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰিলে।

(গ) "ক" ই এটা কুকুৰাক মৰা আৰু চুৰি কৰাৰ অভিপ্ৰায়েৰে গুলী কৰি এটা জোপোহাৰ পিছ পিনে থকা "খ"ৰ মৰণ ঘটালে, তেওঁ কিন্তু "খ" তাত আছিল "ক"ই ইয়াক নাজানিছিল, যদিও "ক" ই এটা বিধি বিৰুদ্ধ কাৰ্য্য কৰি আছিল, তেওঁ দোষাবহ নৰবধৰ বাবে দোষী নহয়, যিহেতু তেওঁ "খ" ৰ মৰণ ঘটোৱা বা মৃত্যু ঘটোৱা সম্ভাব্য বুলি জনা এনে কোনো কাৰ্য্য কৰি মৃত্যু ঘটোৱাৰ অভিপ্ৰায় কৰা নাছিল।

**স্পষ্টীকৰণ** ১- কোনো ব্যক্তি যিজনে আন এজনক যিজনে কোনো অসুখ, ৰোগ বা শাৰীৰিক অক্ষমতাত ভুগি আছে, শাৰীৰিক ক্ষতি কৰে আৰু তাৰ দ্বাৰা সেই অন্যজনৰ মৃত্যু ত্বৰাণ্বিত কৰে, তেওঁ তেওঁৰ মৃত্যু ঘটোৱা বুলি গণ্য হব।

**স্পষ্টীকৰণ** ২- যি ক্ষেত্ৰত শাৰীৰিক ক্ষতিৰ দ্বাৰা মৃত্যু ঘটোৱা হয়, সেই ব্যক্তিজন, যিজনে তেনে শাৰীৰিক ক্ষতি কৰে, তেওঁ মৃত্যু ঘটোৱা বুলি গণ্য হব, যদিওবা যথোচিত প্ৰতিকাৰ গ্ৰহণ কৰি আৰু কৌশল পূৰ্ণ চিকিৎসাৰ জৰিয়তে মৃত্যু নিবাৰণ কৰিব পৰা গ'লহেতেন।

**স্পষ্টীকৰণ** ৩- মাতৃ গৰ্ভস্থিত শিশুৰ মৃত্যু ঘটোৱাটো নৰবধ নহয়। কিন্তু কোনো জীৱিত শিশুৰ মৃত্যু ঘটোৱাটো দোষাবহ নৰবধৰ পৰ্য্যায়ত আহিব পাৰে যদি সেই শিশুৰ কিছু অংশ বাহিৰ কৰি উলিয়াই অনা হয় যদিওবা শিশুটোৱে নিশ্বাস নললেহেতেন বা ইয়াৰ সম্পূৰ্ণ ৰূপে জন্ম নহ'লহেতেন।

হত্যা।

৩০০। এতৎপশ্চাত বাদ দিয়া ক্ষেত্ৰবোৰৰ ব্যতিৰেকে আনবোৰ ক্ষেত্ৰত দোষাবহ নৰবধ হত্যা হ'ব যদিহে মৃত্যু ঘটোৱা কাৰ্য্যটো মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা হয়, বা

দ্বিতীয়তে - যদি এইটো এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয় যাৰ দ্বাৰা অপৰাধীজনে জানে যে যিজনৰ প্ৰতি অনিষ্টটো কৰা হৈছে, তেওঁৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, বা

তৃতীয়তে - যদিহে এইটো কোনো এজন ব্যক্তিৰ শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয় আৰু কৰিবলৈ অভিপ্ৰেত শাৰীৰিক ক্ষতিটো প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত মৃত্যু ঘটাবলৈ পৰ্য্যাপ্ত হয়, বা

চতুৰ্থতে - কাৰ্য্যটো কৰা ব্যক্তিজনে এইটো জানে যে এইটো এনে ধৰণৰ আসন্ন ভাৱে বিপদজনক যে এই কাৰ্য্যটোৱে সম্পূৰ্ণ সম্ভাব্য ভাৱে মৃত্যু ঘটাব বা এনে শাৰীৰিক ক্ষতি কৰিব যিটোৱে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, আৰু তেওঁ মৃত্যু ঘটোৱা বা পূৰ্বোক্ত মতে ক্ষতি কৰাৰ বিপদাশংকাৰ সন্মুখীন হবলৈ কোনো উপযুক্ত কাৰণ বিনা কাৰ্য্য কৰে।

### দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ"ৰ মৰণ ঘটোৱাৰ অভিপ্ৰায়েৰে তেওঁক গুলীয়ালে। ফল স্বৰূপে "জ" ৰ মৃত্যু হ'ল। "ক" ই হত্যা সংঘটিত কৰিলে।

(খ) "ক" ই এইটো জানে যে "জ" ই এনে অসুখত ভুগি আছে যে এইটো সম্ভাব্য যে এটা ভুকুৱেই তেওঁৰ মৃত্যু ঘটাব পাৰে, তেওঁক শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কোব মাৰিলে। সেই ভুকুটোৰ ফলস্বৰূপে "জ" ৰ মৃত্যু হ'ল। "ক" হত্যাৰ বাবে দোষী, যদিও ভুকুটো প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু ঘটোৱাটো পৰ্য্যাপ্ত নহলহেঁতেন। কিন্তু যদি "ক" ই "জ" যে অসুখত ভুগি আছে সেইটো নজনাকৈয়ে তেওঁক এনে এটা ভুকু দিয়ে যিটোৱে প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু নঘটালেহেঁতেন।

এই ক্ষেত্ৰত, যদিও "ক" ৰ শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়, তথাপিও, "ক" হত্যাৰ বাবে দোষী নহয়, যদিহে তেওঁৰ মৃত্যু ঘটোৱা বা এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায় নাই, যিটোৱে প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু ঘটায়।

(গ) "ক" ই "জ" ক অভিপ্ৰায়েৰে তৰোৱালৰ আঘাত বা দণ্ডাঘাত দিলে যি প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন মানুহৰ মৃত্যু ঘটাব পৰাকৈ পৰ্য্যাপ্ত, ফলস্বৰূপে "জ" ৰ মৃত্যু হ'ল। এই ক্ষেত্ৰত "ক" হত্যাৰ বাবে দোষী, যদিওৱা "জ" ৰ মৃত্যু ঘটোৱাটো তেওঁৰ অভিপ্ৰায় নহব পাৰে।

(ঘ) "ক" ই কোনো উপযুক্ত কাৰণ নোহোৱাকৈ গুলীভৰা কামান এজাক মানুহৰ ওপৰত চলালে আৰু তেওঁলোকৰ এজনৰ মৃত্যু ঘটালে। "ক" হত্যাৰ বাবে দোষী, যদিওবা তেওঁৰ কোনো এজন নিৰ্দ্দিষ্ট মানুহক বধ কৰাৰ পূৰ্ব্ব সংকল্পিত অভিসন্ধি নাথাকিব পাৰে।

**ব্যতিক্ৰম ১ -- দোষাবহ নৰবধ কেতিয়া হত্যা নহয়** - দোষাবহ নৰবধ হত্যা নহয় যদিহে অপৰাধীজনে গম্ভীৰ আৰু আচম্বিত প্ৰকোপনৰ বশবৰ্ত্তী হৈ আত্ম সংযমৰ শক্তিৰ পৰা বঞ্চিত হৈ অন্য কোনো এজন ব্যক্তিৰ যিজনে প্ৰকোপনটো দিছিল, মৃত্যু, ভুল বা দুৰ্ঘটনা ক্ৰমে ঘটায়।

ওপৰৰ ব্যতিক্ৰমটো নিম্নোক্ত পৰন্তুক সমূহৰ সাপেক্ষে হব ঃ-

**প্ৰথম** — যে প্ৰকোপনটো কোনো ব্যক্তিক বধ কৰাৰ বা অনিষ্ট কৰাৰ বাবে এটা উপযুক্ত কাৰণ ৰূপে অপৰাধীজনৰ দ্বাৰা বিচৰা হোৱা নাই বা স্বেচ্ছাই প্ৰকোপিত হোৱা নাই।

**দ্বিতীয়** — যে প্ৰকোপনটো বিধি পালন ক্ৰমে কোনো কাৰ্য্যকৰণৰ দ্বাৰা বা কোনো লোক সেৱকৰ দ্বাৰা তেনে লোক সেৱকৰ ক্ষমতাৰ বিধি সন্মত প্ৰয়োগত দিয়া হোৱা নাই।

**তৃতীয়** -- যে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধি সন্মত প্ৰয়োগত কোনো কাৰ্য্য কৰাৰ দ্বাৰা প্ৰকোপন দিয়া হোৱা নাই।

**স্পষ্টীকৰণ** – প্ৰকোপনটো হত্যাৰ পৰ্য্যায়ৰ অপৰাধ হোৱাটো নিবাৰণ কৰিব পৰাকৈ গম্ভীৰ আৰু আচম্বিত আছিল নে নাই সেইটো এটা তথ্যৰ প্ৰশ্ন।

দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ" ৰ দ্বাৰা দিয়া হোৱা প্ৰকোপনৰ দ্বাৰা উত্তেজিত হোৱা আবেগৰ বশৱৰ্ত্তী হৈ "জ" ৰ সন্তান "ঝ" ক অভিপ্ৰায়সহ বধ কৰিলে। এইটো এটা হত্যা, যিহেতু প্ৰকোপনটো শিশুটোৰ দ্বাৰা দিয়া হোৱা নাছিল আৰু শিশুটোৰ মৃত্যু সেই প্ৰকোপনৰ দ্বাৰা কোনো কাৰ্য্যকৰণত দুৰ্ঘটনা বা দুৰ্দ্দশা ক্ৰমে হোৱা নাছিল।

(খ) "ঝ" ই "ক" ক গম্ভীৰ আৰু আচম্বিত প্ৰকোপন দিলে, এই প্ৰকোপনত তেওঁৰ ওচৰত অদৃশ্য হৈ থকা "জ" ক হত্যা কৰাৰ অভিপ্ৰায় নথকাকৈ বা তেওঁক বধ কৰিব পাৰে বুলি তেওঁ নিজে নজনাকৈ "ক" ই "ঝ" ৰ ওপৰত পিষ্টল চলালে। "ক" ই "জ" ক বধ কৰিলে। এই ক্ষেত্ৰত "ক" ই হত্যা সংঘটিত কৰা নাই, কিন্তু মাত্ৰ দোষাবহ নৰবধহে কৰিলে।

(গ) "ক" ক ন্যায়ৰক্ষী "জ" ৰ দ্বাৰা বিধি সন্মত ভাবে গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ কৰাৰ ফলত "ক" আচম্বিত আৰু প্ৰচণ্ড আবেগত উত্তেজিত হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো এটা হত্যা, কাৰণ প্ৰকোপনটো এজন লোক সেৱকৰ দ্বাৰা তেওঁৰ ক্ষমতাৱলীৰ প্ৰয়োগত কৰা এটা কাৰ্য্যৰ দ্বাৰা দিয়া হৈছিল।

(ঘ) "ক" ই এজন দণ্ডাধীশ "জ" ৰ সন্মুখত সাক্ষী হিচাবে হাজিৰ হৈছে। "জ" ই কলে যে তেওঁ "ক" ৰ অভিসাক্ষ্যৰ এটা কথাও বিশ্বাস নকৰে, আৰু যে "ক" ই নিজে মিছা সাক্ষ্য দিছে। এই কথাবোৰৰ দ্বাৰা "ক" আচম্বিত আবেগগ্ৰস্থ হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো হত্যা।

(ঙ) "ক" ই "জ" ৰ নাকটো টানিবলৈ প্ৰয়াস কৰিলে। "জ" ই ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত "ক" ক তেওঁক এইটো কৰাত বাধা দিবলৈ ধৰি ললে। ফলস্বৰূপে "ক" আচম্বিত আৰু প্ৰচণ্ড আবেগ গ্ৰস্থ হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো হত্যা। যিহেতু প্ৰকোপনটো ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত কৰা এটা কাৰ্য্যৰ দ্বাৰা দিয়া হৈছিল।

(চ) "জ" ই "খ" ক কোবালে। এই প্ৰকোপনৰ দ্বাৰা "খ" প্ৰচণ্ড খঙত উত্তেজিত হৈ পৰিল। বাটৰুৱা "ক" ই "খ" ৰ খঙৰ সুবিধা লবৰ আৰু তেওঁৰ দ্বাৰা "জ" ক বধ কৰাবৰ অভিপ্ৰায়েৰে, সেই উদ্দেশ্যে "ক" ৰ হাতত এখন কটাৰী তুলি দিলে। কটাৰী খনৰ দ্বাৰা "খ" ই "জ" ক বধ কৰিলে। এই ক্ষেত্ৰত "খ"ই কেৱল দোষাবহ নৰবধহে কৰিব পাৰে, কিন্তু "ক" হত্যাৰ বাবে দোষী।

**ব্যতিক্ৰম ২** — দোষবহ নৰবধ হত্যা নহয়, যদিহে অপৰাধীজনে, শৰীৰ বা সম্পত্তিৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ সদবিশ্বাসত প্ৰয়োগ কৰি, বিধিৰ দ্বাৰা তেওঁক দিয়া ক্ষমতা অতিক্ৰম কৰে আৰু সেই ব্যক্তিজনৰ যিজনৰ বিৰুদ্ধে তেওঁ তেনে অধিকাৰ প্ৰয়োগ কৰি আছে পূৰ্ব পৰিকল্পনা বিনা, আৰু তেনে প্ৰতিৰক্ষাৰ বাবে যিমান খিনি যথেষ্ট তাতকৈ অধিক অনিষ্ট কৰাৰ অভিপ্ৰায় বিনা মৃত্যু ঘটায়।

দৃষ্টান্ত

"জ" ই "ক" ক চাবুক মাৰিবলৈ প্ৰয়াস কৰিলে, কিন্তু "ক" ক কোনো গুৰুতৰ আঘাত দিয়া ধৰণে নহয়। "ক" ই এটা পিষ্টল উলিয়ালে। "জ" ই অভ্যাঘাত চলায়েই থাকিল। "ক" ই এনেদৰে সদ্‌ভাৱপূৰ্বক বিশ্বাস কৰি যে তেওঁ আন কোনো প্ৰকাৰে নিজকে চাবুকাঘাতৰ পৰা বচাব নোৱাৰে "জ" ক গুলীয়াই তেওঁৰ মৃত্যু ঘটালে। "ক" ই হত্যা কৰা নাই কিন্তু কেৱল দোষাবহ নৰবধহে কৰিছে।

**ব্যতিক্ৰম ৩** -- দোষাবহ নৰবধ হত্যা নহয়, যদিহে অপৰাধীজনে, নিজে এজন লোক সেৱক হৈ বা লোক ন্যায়ৰ অগ্ৰসৰতাৰ বাবে কাৰ্য্য কৰা এজন লোক সেৱকক সহায়তা কৰি, বিধিৰ দ্বাৰা তেওঁক প্ৰদত্ত ক্ষমতা অতিক্ৰম কৰে আৰু এনে এটা কাৰ্য্য কৰি যিটো বিধি সন্মত আৰু তেনে লোক সেৱক জনে তেওঁৰ কৰ্ত্তব্যৰ সম্যক পালনৰ বাবে আৱশ্যকীয় বুলি সদভাৱপূৰ্বক বিশ্বাস কৰে আৰু যিজনৰ ব্যক্তিৰ মৃত্যু ঘটোৱা হৈছে তেওঁৰ প্ৰতি কোনো বিদ্বেষ ভাৱ নোহোৱাকৈ মৃত্যু ঘটায়।

**ব্যতিক্ৰম ৪** --- দোষাবহ নৰবধ হত্যা নহয় যদিহে এইটো পূৰ্ব পৰিকল্পনা বিনা হঠাতে হোৱা

এখন কাজিয়াৰ ফলত তীব্ৰ আবেগৰ বশবৰ্ত্তী হৈ হঠাতে মৰামৰি কৰি আৰু অপৰাধী জনৰ দ্বাৰা অন্যায় সুবিধা গ্ৰহণ নকৰাকৈ বা নিষ্ঠুৰ বা অসাধাৰণ ধৰণে কাৰ্য্য নকৰাকৈ, কৰা হয়।

**স্পষ্টীকৰণ** - এনেবোৰ ক্ষেত্ৰত কোনটো পক্ষই প্ৰকোপন দিছে বা প্ৰথম অভ্যাঘাত কৰিছে সেইটো অপ্ৰয়োজনীয়।

**ব্যতিক্ৰম ৫** — দোষাবহ নৰবধ হত্যা নহয় যেতিয়া সেই ব্যক্তিজন যিজনৰ মৃত্যু ঘটোৱা হৈছে, ওঠৰ বছৰৰ অধিক বয়সৰ হৈ নিজৰ সন্মতিক্ৰমে মৃত্যু ভোগ কৰে বা মৃত্যুৰ বিপদাশংকা লয়।

**দৃষ্টান্ত**

"ক" ই প্ৰৰোচনা দি ওঠৰ বছৰ বয়সৰ তলৰ ব্যক্তি এজন "জ" ক, স্বেচ্ছাই আত্মহত্যা কৰালে। এই ক্ষেত্ৰত "জ" ৰ কম বয়সৰ কাৰণে, তেওঁ তেওঁৰ নিজৰ মৃত্যুৰ বাবে সন্মতি দিবলৈ অসমৰ্থ আছিল, গতিকে "ক" ই হত্যাৰ অপপ্ৰেৰণা দিলে।

**যি জন ব্যক্তিৰ মৃত্যু ঘটোৱা অভিপ্ৰায় আছিল সেইজনৰ বাহিৰে আন ব্যক্তিৰ মৃত্যু ঘটোৱাৰ দ্বাৰা দোষাবহ নৰবধ।**

৩০১। যদি কোনো ব্যক্তিয়ে কোনো এনে কাৰ্য্য কৰি যাৰ দ্বাৰা তেওঁৰ অভিপ্ৰায় মৃত্যু ঘটোৱা বা যাৰ দ্বাৰা মৃত্যু ঘটোৱা সম্ভাব্য বুলি তেওঁ জানে, কোনো ব্যক্তিৰ মৃত্যু ঘটায়, যিজনৰ মৃত্যু ঘটোৱা তেওঁৰ অভিপ্ৰায় নহয় নাইবা তেওঁৰ মৃত্যু ঘটোৱা সম্ভাব্য বুলি তেওঁ নাজানে, দোষাবহ নৰবধ কৰে, তেন্তে অপৰাধীৰ দ্বাৰা কৰা দোষাবহ নৰবধ সেই প্ৰকাৰৰ হব যিটো যদিহে তেওঁ ব্যক্তিজনৰ মৃত্যু ঘটালেহেঁতেন যাৰ মৃত্যু তেওঁৰ অভিপ্ৰেত আছিল, বা যাৰ মৃত্যু ঘটাব পাৰে বুলি তেওঁ জানিছিল।

**হত্যাৰ বাবে দণ্ড।**

৩০২। যিয়ে, হত্যা সংঘটিত কৰে তেওঁ মৃত্যু বা [১][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**আজীৱন কাৰাবাসীৰ দ্বাৰা হত্যাৰ বাবে দণ্ড।**

*৩০৩। যিয়ে, [১][আজীৱন কাৰাবাস] ৰ দণ্ডাদেশৰ অধীনত থাকি, হত্যা সংঘটিত কৰে, তেওঁ মৃত্যুৰে দণ্ডিত হব।

**হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দণ্ড।**

৩০৪। যিয়ে, হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধ কৰে, তেওঁ [১][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ, বাবেও দায়ী হব, যদিহে, যি কাৰ্য্যৰ দ্বাৰা মৃত্যু ঘটোৱা হৈছে, মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা হৈছে বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয়, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব যদিহে কাৰ্য্যটো এই জ্ঞানসহ কৰা হয় যে ই মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, কিন্তু মৃত্যু ঘটোৱাৰ অভিপ্ৰায় নোহোৱাকৈ বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি কৰাৰ কোনো অভিপ্ৰায় নোহোৱাকৈ কৰা হয়।

**অসাৱধানতাৰে মৃত্যু ঘটোৱা।**

[২][৩০৪ক। যিয়ে, কোনো উদ্ধত বা অসাৱধান কাৰ্য্য কৰি কোনো ব্যক্তিৰ মৃত্যু ঘটায় যি দোষাবহ নৰবধৰ পৰ্য্যায়ভুক্ত নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব]।

**যৌতুকৰ বাবে হোৱা মৃত্যু।**

[৩][৩০৪খ। (১) যেতিয়া কোনো নাৰীৰ মৃত্যু, কোনো পোৰণ বা শাৰীৰিক ক্ষতিৰ দ্বাৰা সংঘটিত হয় বা স্বাভাৱিক পৰিস্থিতিৰ বাহিৰে অন্যথা তেওঁ বিবাহৰ সাত বছৰৰ ভিতৰত ঘটে আৰু তেওঁ মৃত্যুৰ

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

*মিথু বনাম পঞ্জাৱ এ আই আৰ ১৯৮৩ উচ্চতম ন্যায়ালয় ৪৭৩ ত উচ্চতম ন্যায়ালয়ে এই ধাৰাটো অসংবিধানিক বুলি অভিখণ্ডিত কৰিছে আৰু বাতিল ঘোষিত কৰিছে।

২। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১২ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৯৮৬ চনৰ ৪৩ নং অধিনিয়মৰ ধাৰা ১০ ৰ দ্বাৰা অন্তঃস্থাপিত (১৩-১১-৮৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

আগু পূৰ্বে যৌতুকৰ কোনো দাবীৰ কাৰণে বা ইয়াৰ সম্পৰ্কত তেওঁৰ স্বামীৰ দ্বাৰা বা তেওঁৰ স্বামীৰ কোনো আত্মীয়ৰ দ্বাৰা নিষ্ঠুৰতা বা হাৰাশাস্তি দিয়া হৈছিল বুলি দেখুৱা হয়, তেনে মৃত্যুক "যৌতুকৰ বাবে মৃত্যু" হোৱা বুলি কোৱা হয়, আৰু এনে স্বামী বা আত্মীয়ই তেওঁৰ মৃত্যু ঘটোৱা বুলি গণ্য কৰা হব।

**স্পষ্টীকৰণ** - এই উপ-ধাৰাৰ প্ৰয়োজনাৰ্থে, "যৌতুক" শব্দটো নিষেধ অধিনিয়ম, ১৯৬১ (১৯৬১ ৰ ২৮) ৰ ধাৰা ২ ত থকাৰ দৰে একে অৰ্থ হব।

(২) যিয়ে, যৌতুকৰ বাবে মৃত্যু ঘটায়, তেওঁ কাৰাবাসৰে, যাৰ অৱধি সাত বছৰতকৈ কম নহব কিন্তু যিটো আজীৱন কাৰাবাসলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব।]

শিশু বা উন্মাদ ব্যক্তিৰ আত্মহত্যাৰ অপপ্ৰেৰণা।

৩০৫। যদিহে ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তি, কোনো উন্মাদ ব্যক্তি, কোনো বিভ্ৰমচিত্তৰ ব্যক্তি, কোনো নিৰ্বোধ বা মাতাল অৱস্থাত থকা কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, যিয়ে এনে আত্মহত্যা কৰণত অপপ্ৰেৰণা দিয়ে, তেওঁ মৃত্যু বা [1][আজীৱন কাৰাবাস] ৰে বা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

আত্মহত্যাৰ অপপ্ৰেৰণা।

৩০৬। যদিহে কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, যিয়ে এনে আত্মহত্যা কৰণত অপপ্ৰেৰণা যিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

হত্যা কৰাৰ প্ৰয়াস।

৩০৭। যিয়ে, কোনো কাৰ্য্য এনে অভিপ্ৰায় বা জ্ঞানসহ আৰু এনে পৰিস্থিতিৰ অধীনত কৰে, যে যদি তেওঁ সেইটো কাৰ্য্যৰে মৃত্যু ঘটালেহেঁতেন, তেওঁ হত্যাৰ বাবে দোষী হ'লহেঁতেন, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব, আৰু যদি এনে কাৰ্য্যৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত কৰা হয়, তেতিয়া অপৰাধীজন হয় [1][আজীৱন কাৰাবাস] ৰে নতুবা ইয়াত ওপৰত উল্লেখিত ধৰণৰ এনে দণ্ডৰ বাবে দায়ী হব।

আজীৱন কাৰাবাসীৰ দ্বাৰা প্ৰয়াস।

[2][যেতিয়া এই ধাৰা [1][আজীৱন কাৰাবাস] ৰে দণ্ডাদেশাধীন হৈ থাকে, যদিহে তেওঁৰ আঘাত ঘটোৱা হয়, মৃত্যুৰে দণ্ডিত হব]।

## দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ" ক বধ কৰাৰ অভিপ্ৰায়েৰে গুলীয়ালে, এনে পৰিস্থিতিৰ অধীনত যে যদিহে মৃত্যু হ'লহেঁতেন, তেন্তে "ক" হত্যাৰ বাবে দোষী হ'লহেঁতেন। "ক" এই ধাৰাৰ অধীনত দণ্ডিত হবলৈ দায়ী।

(খ) "ক" ই, কোমল বয়সৰ এটা শিশুৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে, ইয়াক এনে নিৰ্জন স্থানত পেলাই থলে। 'ক'ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে যদিও শিশুটোৰ মৃত্যু হোৱা নাই।

(গ) "ক" ই "জ" ক হত্যা কৰাৰ অভিপ্ৰায়েৰে এটা বন্দুক কিনে আৰু ইয়াত গুলী ভৰায়। "ক" ই এই পৰ্য্যন্ত অপৰাধটো কৰা নাই। "ক'ই "জ" লৈ বন্দুকটো গুলীয়ালে। তেওঁ এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে আৰু যদিহে এনে দৰে গুলী কৰি, তেওঁ "জ" ক আহত কৰে, তেনে হলে তেওঁ এই ধাৰাত [3][প্ৰথম দফাৰ] পিছৰ ভাগত উপবন্ধিত দণ্ডৰ বাবে দায়ী হব।

(ঘ) "ক" ই "জ" ক বিহ খুৱাই হত্যা কৰাৰ অভিপ্ৰায়েৰে বিহ কিনিলে আৰু ইয়াৰ খাদ্যৰ

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১১ ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

৩। ১৮৯১ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ ২ ৰ দ্বাৰা অন্তঃস্থাপিত।

সৈতে মিলালে যিটো "ক" ই নিজৰ লগত ৰাখে, "ক"ই এই পৰ্য্যন্ত এই ধাৰাত পৰিভাষিত অপৰাধটো কৰা নাই। "ক" ই খাদ্য "জ" ৰ মেজৰ ওপৰত থলে বা ইয়াক "জ" ৰ মেজৰ ওপৰত থবলৈ "জ" ৰ সেৱকক দিলে। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

দোষাবহ নৰবধ কৰাৰ প্ৰয়াস।

৩০৮। যিয়ে, কোনো কাৰ্য্য এনে অভিপ্ৰায় বা জ্ঞানসহ আৰু এনে পৰিস্থিতিৰ অধীনত কৰে যে যদি তেওঁ সেই কাৰ্য্যটোৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন, তেওঁ হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব, আৰু যদি তেনে কাৰ্য্যৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটোৱা হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

**দৃষ্টান্ত**

'ক" ই, গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত "জ" লৈ পিষ্টলেৰে গুলীয়ালে এনে পৰিস্থিতিৰ অধীনত যে যদিহে তেওঁ তাৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন, তেন্তে তেওঁ হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

আত্মহত্যা কৰাৰ প্ৰয়াস।

৩০৯। যিয়ে, আত্মহত্যা কৰিবলৈ প্ৰয়াস কৰে আৰু তেনে অপৰাধ সংঘটনৰ বাবে কোনো কাৰ্য্য কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, [১][বা জৰিমনাৰে, বা উভয়ৰে] দণ্ডিত হব।

ঠগ।

৩১০। যিয়ে, এই অধিনিয়মখন পাৰিত হোৱাৰ পিছত যি কোনো সময়ত হত্যাৰ দ্বাৰা বা হত্যা সহিত লুণ্ঠন বা শিশু চুৰি কৰাৰ উদ্দেশ্যে, অন্য ব্যক্তি বা অন্য ব্যক্তি সকলৰ সৈতে অভ্যাসিক ভাবে সহযোগী হৈ থাকে, তেওঁ ঠগ।

দণ্ড

৩১১। যিয়ে, ঠগ হয়, তেওঁ [২][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**গৰ্ভপাত কৰোৱা, অজাত শিশুৰ ক্ষতি কৰোৱা, শিশু পেলাই থৈ যোৱা আৰু জন্মৰ গোপনকৰণৰ বিষয়ে**

গৰ্ভপাত কৰোৱা।

৩১২। যিয়ে, কোনো এগৰাকী সন্তান সম্ভৱা তিৰোতাক স্বেচ্ছাই গৰ্ভপাত কৰায়, যদিহে তেনে গৰ্ভপাত সদ্ভাৱ পূৰ্ব্বক তিৰোতা গৰাকীৰ জীৱন ৰক্ষা কৰা উদ্দেশ্যে কৰোৱা নহয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব, আৰু যদিহে তিৰোতা গৰাকী স্পন্দন গৰ্ভা হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - কোনো তিৰোতা, যিজনীয়ে নিজে নিজৰ গৰ্ভপাত কৰায়, তেওঁও এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত হব।

তিৰোতা গৰাকীৰ সম্মতি বিনা গৰ্ভপাত কৰোৱা।

৩১৩। যিয়ে, অন্তিম পূৰ্ব্বৱৰ্ত্তী ধাৰাটোত পৰিভাষিত অপৰাধটো তিৰোতা গৰাকীৰ সম্মতি বিনা সংঘটিত কৰে, তিৰোতা গৰাকী স্পন্দিত গৰ্ভা হওঁকেই বা নহওঁকেই, তেওঁ [১][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৭ ৰ দ্বাৰা "আৰু জৰিমনাৰ বাবেও দায়ী হব" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

গৰ্ভপাত কৰোৱা অভিপ্ৰায়েৰে কৰা কাৰ্য্যৰ দ্বাৰা ঘটিত মৃত্যু।

৩১৪। যিয়ে, সন্তান সম্ভৱা তিৰোতা এগৰাকীৰ গৰ্ভপাত কৰোৱাৰ অভিপ্ৰায়েৰে, এনে কোনো কাৰ্য্য কৰে যিটোৱে তেনে তিৰোতাৰ মৃত্যু ঘটায় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব,

যদি তিৰোতা গৰাকীৰ সন্মতি বিনা কাৰ্য্য কৰা হয়।

আৰু যদি তিৰোতা গৰাকীৰ সন্মতি বিনা কাৰ্য্যটো কৰা হয়, তেন্তে তেওঁ, হয় [1][আজীৱন কাৰাবাস] ৰে নাইবা ওপৰত উল্লেখিত দণ্ডৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - এই অপৰাধটোৰ বাবে এইটো আৱশ্যকীয় নহয় যে অপৰাধীজনে এইটো জনা উচিত যে কাৰ্য্যটোৱে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে।

শিশুক জীৱিত ভাবে জন্ম হোৱাত বাধাদান কৰাৰ বা জন্মৰ পিছত ইয়াৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা কাৰ্য্য।

৩১৫। যিয়েই, কোনো শিশুৰ জন্মৰ পূৰ্ব্বে কোনো কাৰ্য্য এই অভিপ্ৰায়েৰে কৰে যে সেই শিশুৰ জীৱিত ভাবে জন্ম হোৱাত বাধা দিয়া হয় বা জন্মৰ পিছত ইয়াৰ মৃত্যু ঘটায়, আৰু যদি তেনে কাৰ্য্যৰ দ্বাৰা সেই শিশুটো জীৱিত ভাবে জন্মাত বাধা দিয়ে বা ইয়াৰ জন্মৰ পিছতে ইয়াৰ মৃত্যু ঘটায় যদি সেই কাৰ্য্য মাতৃৰ জীৱন ৰক্ষা কৰাৰ উদ্দেশ্যে সদ্ভাৱপূৰ্ব্বক কৰা নহয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

দোষাবহ নৰবধৰ পৰ্য্যায়ৰ কাৰ্য্যৰ দ্বাৰা স্পন্দনশীল অজাত শিশুৰ মৃত্যু ঘটোৱা।

৩১৬। যিয়ে, এনে পৰিস্থিতিত কোনো কাৰ্য্য কৰে যে যদিহে তেওঁ তাৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন তেন্তে তেওঁ দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন, আৰু তেনে কাৰ্য্যৰ দ্বাৰা কোনো অজান স্পন্দনশীল শিশুৰ মৃত্যু ঘটায়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত

"ক" ই, এইটো সম্ভাব্য বুলি জানি যে তেওঁ এগৰাকী গৰ্ভৱতী তিৰোতাৰ মৃত্যু ঘটাব পাৰে, এনে এটা কাৰ্য্য কৰিলে যিটো, যদিহে ই তিৰোতা গৰাকীৰ মৃত্যু ঘটালেহেঁতেন দোষাবহ নৰবধৰ পৰ্য্যায়ৰ হ'লহেঁতেন। তিৰোতা গৰাকী আহত হয় কিন্তু তেওঁৰ মৃত্যু নহয়। কিন্তু তাৰ দ্বাৰা সেই অজাত স্পন্দনশীল শিশুৰ যিটোৰ সৈতে তিৰোতা গৰাকী গৰ্ভৱতী, মৃত্যু ঘটে। "ক" এই ধাৰাটোত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

পিতা মাতা বা ইয়াৰ তত্ত্বাৱধানৰ ভাৰপ্ৰাপ্ত ব্যক্তিৰ দ্বাৰা ১২ বছৰ বয়সৰ তলৰ শিশুৰ অৰক্ষিতভাৱে এৰি যোৱা আৰু পৰিত্যাগ কৰা।

৩১৭। যিয়ে, বাৰ বছৰ বয়সৰ তলৰ কোনো শিশুৰ পিতা বা মাতা হৈ, বা তেনে শিশুৰ তত্ত্বাৱধানৰ ভাৰপ্ৰাপ্ত হৈ তেনে শিশুক সম্পূৰ্ণভাৱে পৰিত্যাগ কৰাৰ অভিপ্ৰায়েৰে তেনে শিশুক অৰক্ষিতভাৱে পেলাই থৈ বা কোনো স্থানত এৰি যায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - যদিহে অৰক্ষিতভাৱে পেলাই থোৱাৰ ফলত শিশুটোৰ মৃত্যু হয়, সেই ক্ষেত্ৰত এই ধাৰাটো যথাস্থিতি হত্যা বা দোষাবহ নৰবধৰ বাবে অপৰাধীজনৰ বিচাৰ নিবাৰিত কৰিবলৈ অভিপ্ৰেত হোৱা নাই।

মৃত দেহৰ গোপন সৎকাৰৰ দ্বাৰা জন্মৰ গোপনকৰণ।

৩১৮। যিয়ে, গোপনীয়ভাৱে পুতি বা অন্যথা এটা শিশুৰ মৃত দেহৰ সৎকাৰ কৰি, তেনে শিশুৰ মৃত্যু ইয়াৰ জন্মৰ পূৰ্বেই বা পিছতেই বা জন্ম হৈ থকা অৱস্থাতেই নহওঁক কিয় তেনে শিশুৰ জন্ম অভিপ্ৰায় পূৰ্বক গোপন কৰে বা গোপন কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

### আঘাতৰ বিষয়ে

আঘাত।

৩১৯। যিয়ে, কোনো ব্যক্তিৰ শাৰীৰিক কষ্ট, ৰোগ বা দুৰ্বলতা ঘটায়, তেওঁ আঘাত ঘটোৱা বুলি কোৱা হয়।

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

গুৰুতৰ আঘাত।

৩২০। কেৱল নিম্নোক্ত প্ৰকাৰৰ আঘাতকহে "গুৰুতৰ" বুলি অভিহিত কৰা হয় --

প্ৰথম -- পুৰুষত্বহীনকৰণ।

দ্বিতীয় -- কোনটো চকুৰ দৃষ্টি শক্তিৰ স্থায়ী হানিকৰণ।

তৃতীয় -- যি কোনো এখন কাণৰ শ্ৰৱণ শক্তিৰ স্থায়ী হানিকৰণ।

চতুৰ্থ -- কোনো অঙ্গ প্ৰত্যঙ্গ বা জোৰাৰ নষ্টকৰণ।

পঞ্চম -- কোনো অঙ্গ প্ৰত্যঙ্গ বা জোৰাৰ শক্তি নষ্টকৰণ বা স্থায়ী হানিকৰণ।

ষষ্ঠ -- মূৰ বা মুখ মণ্ডলৰ স্থায়ী বিকৃতিকৰণ।

সপ্তম -- হাত বা দাত ভঙা বা লৰোৱা।

অষ্টম -- কোনো আঘাত যিটোৱে জীৱন বিপদাপন্ন কৰে বা যিটোৱে কষ্টভোগীজনক বিশ দিনৰ বাবে গুৰুতৰ শাৰীৰিক কষ্ট ভোগ কৰায় বা তেওঁৰ সাধাৰণ ব্যৱসায় চলাই থাকিবলৈ অসমৰ্থ কৰে।

স্বেচ্ছাই আঘাত ঘটোৱা।

৩২১। যিয়ে, কোনো কাৰ্য্য এই অভিপ্ৰায়েৰে কৰে যে তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটায় বা এই জ্ঞানসহ কৰে যে তেওঁ তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটোৱাৰ সম্ভাৱনা আছে আৰু তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটায়, তেওঁ "স্বেচ্ছাই আঘাত ঘটোৱা" বুলি কোৱা হয়।

স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।

৩২২। যিয়ে, স্বেচ্ছাই আঘাত ঘটায় যদিহে তেওঁ ঘটাবলৈ অভিপ্ৰায় কৰা আঘাতৰ বা যিটো তেওঁ ঘটোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ জানে গুৰুতৰ আঘাত হয়, আৰু যদি তেওঁ ঘটোৱা আঘাতটো গুৰুতৰ আঘাত হয়, তেওঁ "স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা" বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - এজন ব্যক্তিয়ে এই দুয়োটা ক্ষেত্ৰ ব্যতিৰেকে যেতিয়া তেওঁ গুৰুতৰ আঘাত ঘটায় আৰু গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰায় কৰে বা তেওঁ ঘটোৱা সম্ভাব্য বুলি জানে তেওঁ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা বুলি কোৱা নহয় কিন্তু তেওঁ স্বেচ্ছাই গুৰুতৰ ঘটোৱা বুলি কোৱা হয়, যদি এক প্ৰকাৰৰ গুৰুতৰ আঘাত ঘটোৱাটো অভিপ্ৰায় কৰি বা ঘটাব পাৰে বুলি তেওঁ নিজেই জানি তেওঁ বাস্তৱিকতে আন এক প্ৰকাৰৰ গুৰুতৰ আঘাতহে ঘটায়।

### দৃষ্টান্ত

"ক" ই "জ"ৰ মুখ মণ্ডল স্থায়ীভাৱে বিকৃত কৰাৰ অভিপ্ৰায় কৰি বা কৰাৰ সম্ভাৱনা থকা বুলি নিজে জানি "জ"ক এটা ঘোচা মাৰিলে যিটোৱে "জ"ৰ মুখ মণ্ডল স্থায়ীভাৱে বিকৃত নকৰিলে, কিন্তু যিটোৱে "জ" ক বিশ দিন পৰ্য্যন্ত ভীষণ দৈহিক কষ্ট ভোগ কৰিবলগীয়া কৰে। "ক" ই স্বেচ্ছাই গুৰুতৰ আঘাত ঘটালে।

স্বেচ্ছাই আঘাত ঘটোৱাৰ বাবে দণ্ড।

৩২৩। যিয়ে, ধাৰা ৩৩৪ ত উপবন্ধিত ক্ষেত্ৰ ব্যতিৰেকে স্বেচ্ছাই আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

মাৰাত্মক অস্ত্ৰেৰে বা উপায়েৰে স্বেচ্ছাই আঘাত ঘটোৱা।

৩২৪। যিয়ে, ধাৰা ৩৩৪ ত উপবন্ধিতৰ ক্ষেত্ৰৰ ব্যতিৰেকে গুলী কৰা, খোচা বা কটা কোনো সজুঁলিৰ দ্বাৰা, বা এনে কোনো সজুলিৰ দ্বাৰা, যিটো অপৰাধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে, মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে বা জুই বা কোনো উত্তপ্ত পদাৰ্থৰ দ্বাৰা বা কোনো বিহ বা ক্ষয়কাৰী পদাৰ্থৰ দ্বাৰা, বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা বা এনে কোনো পদাৰ্থৰ দ্বাৰা যি পদাৰ্থ নিশ্বাসত লোৱা বা গিলা বা তেজত মিহলাই লোৱা মানৱ শৰীৰৰ বাবে ক্ষতি কাৰক, বা কোনো জন্তুৰ দ্বাৰা, স্বেচ্ছাই আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱাৰ বাবে দণ্ড।

৩২৫। যিয়ে, ধাৰা ৩৩৫ ত উপবন্ধিত ক্ষেত্ৰৰ ব্যতিৰেকে স্বেচ্ছাই গুৰুতৰ আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

মাৰাত্মক অস্ত্ৰেৰে বা উপায়েৰে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।

৩২৬। যিয়ে, ধাৰা ৩৩৫ ত উপবন্ধিতৰ ক্ষেত্ৰৰ ব্যতিৰেকে গুলী কৰা, খোচা বা কটা কোনো সঁজুলিৰ দ্বাৰা, বা এনে কোনো সঁজুলিৰ দ্বাৰা যিটো অপৰাধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে বা জুই বা কোনো উত্তপ্ত পদাৰ্থৰ দ্বাৰা, বা কোনো বিহ বা কোনো ক্ষয়কাৰী পদাৰ্থৰ দ্বাৰা, বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা, বা এনে কোনো পদাৰ্থৰ দ্বাৰা যি পদাৰ্থ নিশ্বাসত লোৱা, গিলা বা তেজত মিহলাই লোৱা মানৱ শৰীৰৰ বাবে ক্ষতিকাৰক বা কোনো জন্তুৰ দ্বাৰা, স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ [১][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

সম্পত্তি বলেৰে আদায় কৰিবলৈ বা কোনো অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।

৩২৭। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বলেৰে আদায় কৰাৰ উদ্দেশ্যে বা কষ্টভোগাজন বা তেনে কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক এনে কোনো কাৰ্য্য কৰিবলৈ বাধ্য কৰাৰ বাবে, যিটো অবৈধ বা যিটোৰে কোনো অপৰাধ সংঘটন সহজ সাধ্য কৰিব পাৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

অপৰাধ সংঘটন কৰাৰ অভিপ্ৰায়েৰে বিষ আদিৰ দ্বাৰা আঘাত ঘটোৱা।

৩২৮। যিয়ে, কোনো ব্যক্তিক বিহ বা কোনো বেহুচ কৰা, নিচাযুক্ত বা অস্বাস্থ্যকৰ ঔষধ বা অন্য বস্তু তেনে ব্যক্তিৰ আঘাত ঘটোৱাৰ অভিপ্ৰায়েৰে, বা কোনো অপৰাধ কৰা বা ইয়াৰ সংঘটন সহজ সাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি জানিও, প্ৰয়োগ কৰে বা গ্ৰহণ কৰায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

সম্পত্তি বলেৰে আদায় কৰিবলৈ বা কোনো অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।

৩২৯। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বলেৰে আদায় কৰিবলৈ বা সেই কষ্টভোগাজনক বা তেনে কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো কাৰ্য্য, যিটো অবৈধ, বা যিটোৱে কোনো অপৰাধৰ সংঘটন সহজ সাধ্য কৰে, কৰিবলৈ বাধ্য কৰে, স্বেচ্ছাই গুৰুতৰ আঘাত কৰে, তেওঁ [১][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

স্বীকাৰোক্তি আদায় কৰিবলৈ বা সম্পত্তি প্ৰত্যৰ্পণ কৰিবলৈ বাধ্য কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।

৩৩০। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা কোনো সংবাদ, যিটোৱে কোনো অপৰাধ বা অসদাচাৰণ ধৰা পেলাবলৈ বাট দেখুৱাই দিব পাৰে আদায় কৰিবলৈ বা কষ্টভোগাজনক বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যৰ্পণ কৰিবলৈ বা প্ৰত্যৰ্পণ কৰাবৰ বাবে বাধ্য কৰাৰ বাবে বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ বা এনে সংবাদ দিবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ প্ৰত্যৰ্পণৰ বাট দেখুৱাই দিয়ে, স্বেচ্ছাই আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**দৃষ্টান্ত সমূহ**

(ক) আৰক্ষী পদাধিকাৰী "ক" ই "জ"ক তেওঁ যে এটা অপৰাধ সংঘটিত কৰিছে এই স্বীকাৰোক্তি কৰিবলৈ উৎপ্ৰেৰিত কৰাৰ বাবে "জ"ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(খ) আৰক্ষী পদাধিকাৰী "ক"ই কোনখন ঠাইত কিছুমান চুৰি সম্পত্তি জমা কৰি ৰখা হৈছে দেখুৱাই দিবলৈ তেওঁক উৎপ্ৰেৰিত কৰাৰ বাবে 'খ' ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(গ) ৰাজহ পদাধিকাৰী "ক"ই "জ"ৰ দ্বাৰা দেয় হোৱা ৰাজহৰ বাকী আদায় দিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে "জ" ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(ঘ) জমিদাৰ "ক"ই তেওঁক দিবলগীয়া ভাৰা আদায় দিবলৈ বাধ্য কৰাৰ বাবে এজন ৰায়তক যন্ত্ৰণা দিলে। "ক"ই এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

**স্বীকাৰোক্তি আদায় কৰিবলৈ বা সম্পত্তিৰ প্ৰত্যৰ্পণ বাধ্য কৰিবৰ বাবে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩১। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা কোনো সংবাদ, যিটোৱে কোনো অপৰাধ বা অসদাচৰণ ধৰা পেলাবলৈ বাট দেখুৱাব পাৰে, আদায় কৰিবলৈ বা কষ্টভোগাজন বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যৰ্পণ কৰিব বা প্ৰত্যৰ্পণ কৰাবৰ বাবে বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ, বা কোনো সংবাদ জনাবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ প্ৰত্যৰ্পণ কৰিবলৈ বাট দেখুৱাব পাৰে— বাধ্য কৰাৰ উদ্দেশ্যে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লোকসেৱকক তেওঁৰ কৰ্ত্তব্য পালনৰ পৰা বিৰত কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩২। যিয়ে, লোকসেৱক হিচাবে থকা কোনো ব্যক্তিক তেনে লোকসৱককৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাত বা সেই ব্যক্তিজনক বা আন কোনো লোকসেৱকক তেনে লোকসেৱককৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাৰ পৰা নিবাৰিত কৰা বা বিৰত কৰাৰ অভিপ্ৰায়েৰে, বা সেই ব্যক্তিজনৰ দ্বাৰা তেনে লোকসেৱককৰূপে তেওঁৰ কৰ্ত্তব্যৰ বিধি সন্মত নিৰ্বহনত কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে স্বেচ্ছাই আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**লোকসেৱকক তেওঁৰ কৰ্ত্তব্য পালনৰ পৰা বিৰত কৰিবলৈ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৩। যিয়ে, লোকসেৱক হৈ থকা কোনো ব্যক্তিক তেনে লোকসেৱককৰূপে তেওঁৰ কৰ্ত্তব্যৰ নিৰ্বহন কৰাত, বা সেই ব্যক্তিজনক বা আন কোনো লোকসেৱকক তেনে লোকসেৱককৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাৰ পৰা নিবাৰিত কৰা বা বিৰত কৰাৰ অভিপ্ৰায়েৰে, বা সেই ব্যক্তিজনৰ দ্বাৰা তেনে লোকসেৱককৰূপে তেওঁৰ কৰ্ত্তব্যৰ বিধি সন্মত নিৰ্বহনত কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**প্ৰকোপণত স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩৪। যিয়ে, গম্ভীৰ আৰু আচম্বিত প্ৰকোপণত স্বেচ্ছাই আঘাত ঘটায়, যদি তেওঁ যিজন ব্যক্তিয়ে প্ৰকোপণটো দিছিল সেইজন ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিক আঘাত ঘটাবলৈ অভিপ্ৰায় কৰাও নাই নাইবা তেওঁ নিজে আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি নাজানে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**প্ৰকোপণত স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৫। যিয়ে, গম্ভীৰ আৰু আচম্বিত প্ৰকোপণত [১][স্বেচ্ছাই] গুৰুতৰ আঘাত ঘটায়, যদি তেওঁ যিজন ব্যক্তিয়ে প্ৰকোপণটো দিছিল সেইজন ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰায় কৰাও নাই নাইবা তেওঁ নিজে গুৰুতৰ আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি নাজানেও, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি চাৰি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অন্তিম ধাৰা দুটা ধাৰা ৩০০ ৰ ব্যতিক্ৰম ১ ৰ দৰে একে পৰন্তুক সমূহৰ অধীনত হব।

---

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৮ ৰ দ্বাৰা অন্তঃস্থাপিত।

অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্য।

৩৩৬। যিয়ে, কোনো কাৰ্য্য এনে উদ্ধতভাৱে আৰু অসাৱধানতাৰে কৰে যে তাৰ দ্বাৰা মানৱ জীৱন বা অন্যৰ সুৰক্ষা বিপদাপন্ন হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুশ পঞ্চাশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্যৰ দ্বাৰা আঘাত ঘটোৱা।

৩৩৭। যিয়ে, এনে উদ্ধতভাৱে বা অসাৱধানতাৰে কোনো কাৰ্য্য কৰে, যাৰ দ্বাৰা মানৱ জীৱন বা অন্যৰ ব্যক্তিগত সুৰক্ষা বিপদাপন্ন হয়, কোনো ব্যক্তিৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্যৰদ্বাৰা গুৰুতৰ আঘাত ঘটোৱা।

৩৩৮। যিয়ে, এনে উদ্ধতভাৱে বা অসাৱধানতাৰে মানৱ জীৱন বা অন্যৰ ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰাকৈ কোনো কাৰ্য্য কৰি কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

### সদোষ অৱৰোধ আৰু সদোষ পৰিৰোধৰ বিষয়ে

সদোষ অৱৰোধ।

৩৩৯। যিয়ে, স্বেচ্ছাই কোনো ব্যক্তিক এনেদৰে বাধা দিয়ে যাতে সেই ব্যক্তিজন কোনো এটা দিশলৈ অগ্ৰসৰ হবলৈ নিবাৰিত হয়, যি দিশটোলৈ অগ্ৰসৰ হোৱা অধিকাৰ সেই ব্যক্তিজনৰ আছে, তেওঁ সেই ব্যক্তিজনক সদোষ অৱৰোধ কৰা বুলি কোৱা হয়।

ব্যতিক্ৰম - স্থল বা জলৰ ওপৰেদি ব্যক্তিগত পথ এটাৰে বাধা দান কৰাটো, যিটো এজন ব্যক্তিয়ে বাধা দিবলৈ তেওঁৰ নিজৰ এটা বিধি সন্মত অধিকাৰ থকা বুলি সদ্‌ভাৱ পূৰ্বক বিশ্বাস কৰে, এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত অপৰাধ নহয়।

#### দৃষ্টান্ত

'ক' ই পথটো বন্ধ কৰিবলৈ তেওঁৰ অধিকাৰ আছে বুলি সদ্‌ভাৱ পূৰ্বক বিশ্বাস নকৰাকৈয়ে এটা পথ, যিটোৰে 'জ'ৰ যাতায়তৰ অধিকাৰ আছে 'ক' ই বাধা দিয়ে তাৰ দ্বাৰা "জ"ক যাতায়তৰ পৰা নিবাৰিত কৰা হ'ল. 'ক' ই 'জ' ক দোষ পূৰ্বক অৱৰোধ কৰিলে।

সদোষ পৰিৰোধ।

৩৪০। যিয়ে, কোনো এজন ব্যক্তিক এনে ধৰণে দোষ পূৰ্বক পৰিৰোধ কৰে যাতে সেই ব্যক্তিজনৰ নিৰ্দিষ্ট পৰিসীমা অতিক্ৰম কৰি অগ্ৰসৰ হোৱাৰ পৰা নিবাৰিত কৰা হয় তেওঁ, সেই ব্যক্তিজনক "সদোষ পৰিৰোধ কৰা বুলি কোৱা হয়।

#### দৃষ্টান্তসমূহ

(ক) 'ক'ই 'জ'ক বেৰাৰে আবৃত ঠাই এডোখৰৰ ভিতৰলৈ যাবলৈ বাধ্য কৰিলে, আৰু 'জ'ক তাৰ ভিতৰত তলা মাৰি থ'লে। এনেদৰে 'জ'ক বেৰাখনৰ পৰিসীমাৰ ৰেখা পাৰ হৈ যিকোনো দিশলৈ অগ্ৰসৰ হোৱাৰ পৰা নিবাৰিত কৰা হ'ল। 'ক'ই 'জ'ক দোষপূৰ্বক পৰিৰোধ কৰিলে।

(খ) 'ক'ই আগ্নেয়াস্ত্ৰ সহ মানুহ কিছুমান ঘৰ এটাৰ ওলাই যোৱা পথত ৰাখিলে আৰু 'জ'ক কলে যে সিহতে 'জ'ক গুলীয়াব যদিহে 'জ'ই ঘৰটোৰ পৰা ওলাই যাবলৈ যত্ন কৰে। 'ক'ই 'জ'ক দোষ পূৰ্বক পৰিৰোধ কৰিলে।

সদোষ অৱৰোধৰ বাবে দণ্ড।

৩৪১। যিয়ে, কোনো ব্যক্তিক দোষপূৰ্বক অবৰোধ কৰে, তেওঁ সাধাৰণ কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

সদোষ পৰিৰোধৰ বাবে দণ্ড।

৩৪২। যিয়ে, কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**তিনি বা অধিক দিনৰ বাবে সদোষ পৰিৰোধ।**

৩৪৩। যিয়ে, তিনি বা অধিক দিনৰ বাবে কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**দহ বা অধিক দিনৰ বাবে সদোষ পৰিৰোধ।**

৩৪৪। যিয়ে, কোনো ব্যক্তিক দহ বা অধিক দিনৰ বাবে দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনিবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**এনে ব্যক্তিৰ সদোষ পৰিৰোধ যাৰ মুক্তিৰ বাবে ৰিট জাৰি কৰা হৈছে।**

৩৪৫। যিয়ে, এনে কোনো ব্যক্তিক, সেই ব্যক্তিজনৰ মুক্তিৰ বাবে ৰিট এখন সম্যকৰূপে জাৰি কৰা হৈছে বুলি জানিও সদোষ পৰিৰোধত ৰাখে তেওঁ, এই অধ্যায়ৰ আন কোনো ধাৰাৰ অধীনত দায়ী হব পৰা যি কোনো অৱধিৰ কাৰাবাসৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**গোপন স্থানত সদোষ পৰিৰোধ।**

৩৪৬। যিয়ে, কোনো ব্যক্তিক এনে ধৰণে দোষপূৰ্বক পৰিৰোধ কৰি ৰাখে যাৰ দ্বাৰা এনে এটা অভিপ্ৰায় প্ৰতীত হয় যে তেনে ব্যক্তিৰ পৰিৰোধৰ বিষয়ে তেনেদৰে পৰিৰুদ্ধ ব্যক্তিজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তি বা কোনো লোকসেৱকে জানিব পৰা নহয় বা তেনেদৰে পৰিৰোধৰ ঠাইখনৰ বিষয়ে ইয়াৰ ওপৰত উল্লেখ কৰা তেনে কোনো ব্যক্তি বা লোকসেৱকে জানিব পৰা নহয় বা আবিষ্কাৰ কৰিব পৰা নহয়, তেনে সদোষ পৰিৰোধৰ বাবে তেওঁ দায়ী হব পৰা আন কোনো দণ্ডৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ সদোষ পৰিৰোধ।**

৩৪৭। যিয়ে, পৰিৰুদ্ধ ব্যক্তিজন বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা, কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি, বলেৰে আদায় কৰাৰ উদ্দেশ্যে বা পৰিৰুদ্ধ ব্যক্তিজন বা এনে ব্যক্তিক স্বাৰ্থজড়িত কোনো ব্যক্তিক অবৈধ কাৰ্য্য কৰিবলৈ বা কোনো সংবাদ দিবলৈ যিটোৱে কোনো অপৰাধৰ সংঘটন সহজ সাধ্য কৰে, বাধ্য কৰাৰ বাবে কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্বীকাৰোক্তি বলপূৰ্বক আদায় কৰিবলৈ বা সম্পত্তি প্ৰত্যৰ্পণ কৰিবলৈ বাধ্য কৰাৰ বাবে সদোষ পৰিৰোধ।**

৩৪৮। যিয়েই, পৰিৰুদ্ধ ব্যক্তিৰ বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা এনে কোনো সংবাদ যিটোৱে কোনো অপৰাধ বা অসদাচৰণ ধৰা পেলাবলৈ বাট দেখুৱাব পাৰে, বলেৰে লোৱাৰ উদ্দেশ্যে বা পৰিৰুদ্ধ ব্যক্তিজনক বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত যি কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যৰ্পণ কৰিবলৈ বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ, বা এনে কোনো সংবাদ দিবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যৰ্পণ কৰিবলৈ বাট দেখুৱাব পাৰে, দিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে, কোনো ব্যক্তিক সদোষ পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

## আপৰাধিক বল আৰু অভ্যাঘাতৰ বিষয়ে

**বল।**

৩৪৯। কোনো ব্যক্তিয়ে আন এজনৰ প্ৰতি বল প্ৰয়োগ কৰা বুলি কোৱা হয় যদি তেওঁ সেই ব্যক্তিজনৰ গতি, গতিৰ পৰিবৰ্ত্তন বা গতিৰ অন্ত ঘটায়, বা যদিহে তেওঁ কোনো পদাৰ্থৰ এনে গতি, বা গতিৰ পৰিৱৰ্ত্তন বা গতিৰ অন্ত ঘটায় যিটোৱে সেই পদাৰ্থটোক সেই অন্যজনৰ দেহৰ কোনো অংশৰ লগত সংস্পৰ্শলৈ আনে, বা আন কোনো বস্তুৰ লগত যিটো সেই অন্যজনে পিন্ধি আছে বা লৈ আছে বা এনেদৰে অৱস্থিত এনে কোনো বস্তুৰ লগত তেনে সংস্পৰ্শই সেই অন্যজনৰ অনুভূতিৰ জ্ঞানক প্ৰভাৱিত কৰে ঃ পৰন্তু, গতি, গতিৰ পৰিবৰ্ত্তন বা গতিৰ অন্ত ঘটোৱা ব্যক্তিজনে সেই গতি, গতিৰ পৰিবৰ্ত্তন বা গতিৰ অন্ত ইয়াত ইয়াৰ পাছত বৰ্ণিত তিনিটা উপায়ৰ কোনো এটা উপায়েৰে ঘটায় ঃ-

**প্ৰথম** - তেওঁ নিজৰ দৈহিক শক্তিৰ দ্বাৰা।

**দ্বিতীয়** - কোনো পদাৰ্থ এনে ধৰণে ব্যয়ন কৰি যে সেই গতি, গতিৰ পৰিবৰ্ত্তন বা গতিৰ অন্ত তেওঁৰ দ্বাৰা বা আন কোনো ব্যক্তিৰ দ্বাৰা আন কোনো অধিক কাৰ্য্য নকৰাকৈয়ে ঘটে।

**তৃতীয়** - কোনো জন্তুক গতি কৰিবলৈ, ইয়াৰ গতি পৰিবৰ্ত্তন কৰিবলৈ, বা গতি বন্ধ কৰিবলৈ উৎপ্ৰেৰিত কৰে।

আপৰাধিক বল।

৩৫০। যিয়ে, কোনো ব্যক্তিৰ প্ৰতি, সেই ব্যক্তিজনৰ সন্মতিবিনা, কোনো অপৰাধ সংঘটিত কৰিবলৈ, বা অভিপ্ৰেত তেনে বল প্ৰয়োগৰ দ্বাৰা তেওঁ সেই ব্যক্তিজনৰ, যিজনৰ প্ৰতি বল প্ৰয়োগ কৰা হৈছে ক্ষতি কৰা, ভয় বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায় কৰি বা এনে বল প্ৰয়োগৰ দ্বাৰা, এনে ক্ষতি, ভয় বা বিৰক্তি জন্মোৱাৰ সম্ভাৱনা আছে বুলি জানিও অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰে, তেওঁ সেই অন্যজনৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰা বুলি কোৱা হয়।

দৃষ্টান্তসমূহ

(ক) নদীৰ পাৰত লঙ্গৰ পেলাই বান্ধি ৰখা নাওঁ এখনত "জ" বহি আছে। 'ক' ই লঙ্গৰৰ গাঠি খুলি দিলে আৰু এনেদৰে অভিপ্ৰায়েৰে নাওঁখন ভাটীৰ ফাঁললৈ সোঁতত উটি যাবলৈ দিলে। ইয়াত 'ক' ই অভিপ্ৰায়েৰে 'জ'ৰ গতিৰ সালসলনি কৰিছে আৰু তেওঁ এইটো এটা বস্তু এনে ধৰণে ব্যয়ন কৰি কৰিলে যে আন কোনো ব্যক্তিৰ দ্বাৰা আন কাৰ্য্য নকৰাকৈয়ে গতিটো উৎপন্ন হ'ল। গতিকে 'ক' ই 'জ' ৰ ওপৰত অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰিলে ; আৰু যদিহে তেওঁ 'জ' ৰ সন্মতিবিনা কোনো অপৰাধ সংঘটিত কৰাৰ বাবে বা এই বল প্ৰয়োগে 'জ' ৰ ক্ষতি কৰিব, ভয় বা বিৰক্তি জন্মাব এনে অভিপ্ৰায়েৰে বা সম্ভাব্য বুলি জানিও, এনেদৰে কৰিছে তেন্তে 'ক' ই 'জ' ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(খ) 'জ' ই এখন ৰথ চলাই গৈছে। 'ক' ই 'জ'ৰ ঘোৰাবোৰক চাবুকেৰে কোবালে আৰু তাৰ দ্বাৰা সিহঁতৰ পদচালনা ক্ষিপ্ৰ কৰিবলৈ উৎপ্ৰেৰিত কৰি 'জ'ৰ গতিৰ পৰিবৰ্ত্তন ঘটালে। গতিকে 'ক' ই 'জ'ৰ ওপৰত বল প্ৰয়োগ কৰিছে ; আৰু যদিহে 'ক' ই এইটো 'জ' ৰ সন্মতিবিনা এনেদৰে অভিপ্ৰায় কৰি বা এইটো সম্ভাব্য বুলি জানিও কৰিছে যে তেওঁ তাৰ দ্বাৰা 'জ' ৰ ক্ষতি কৰিব, ভীত কৰিব বা বিৰক্তি জন্মাব তেন্তে 'ক' ই 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিলে।

(গ) 'জ' ই এখন পাল্কীত উঠি গৈ আছে। 'ক'ই 'জ'ক লুণ্ঠন কৰাৰ অভিপ্ৰায়েৰে পাল্কীৰ মূৰটোত ধৰিলে আৰু পাল্কীখন যোৱা বন্ধ কৰিলে। ইয়াত 'ক' ই 'জ' ৰ গতিৰ অন্ত ঘটালে ; আৰু তেওঁ এইটো তেওঁৰ নিজৰ দৈহিক শক্তিৰে কৰিলে। গতিকে 'ক' ই 'জ' ৰ ওপৰত বল প্ৰয়োগ কৰিলে ; আৰু যিহেতু 'ক' ই 'জ' ৰ সন্মতিবিনা এটা অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যে এনেদৰে অভিপ্ৰায়েৰে কাৰ্য্য কৰিলে, 'ক' ই 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিলে।

(ঘ) 'ক' ই ৰাস্তাত অভিপ্ৰায়েৰে 'জ' ক ঠেলি দিলে। ইয়াত 'ক' ই তেওঁৰ নিজৰ দৈহিক শক্তিৰ দ্বাৰা তেওঁৰ নিজৰ দেহ এনেদৰে লৰালে যেন ইয়াক 'জ' ৰ সংস্পৰ্শলৈ আনিব পাৰে। গতিকে তেওঁ 'জ' ৰ ওপৰত অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰিলে ; আৰু যদিহে তেওঁ 'জ' ৰ সন্মতিবিনা এনেদৰে অভিপ্ৰায় কৰি বা সম্ভাব্য বুলি জানিও এনেদৰে কৰিছে যে তেওঁ তাৰ দ্বাৰা 'জ' ৰ ক্ষতি কৰিব, তেওঁক ভীত কৰিব বা বিৰক্ত কৰিব তেন্তে তেওঁ 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ঙ) 'ক' ই এটা শিলগুটি দলিয়ালে এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে শিলটো এনেদৰে 'জ' ৰ বা 'জ' ৰ কাপোৰৰ বা 'জ' ই কঢ়িয়াই নিয়া কোনো বস্তুৰ সংস্পৰ্শলৈ অনা হব, বা এইটো পানীত পৰিব আৰু পানীখিনি 'জ' ৰ কাপোৰত বা 'জ' ই কঢ়িয়াই নিয়া কোনো বস্তুত ছিটিকনি খাই পৰিব। ইয়াত, যদিহে শিলটো দলিওৱাৰ ফলত কোনো পদাৰ্থ 'জ' ৰ বা 'জ' ৰ কাপোৰৰ সংস্পৰ্শলৈ অহাটো ঘটে, 'ক' ই 'জ' ৰ প্ৰতি বল প্ৰয়োগ কৰিছে ; আৰু যদিহে তেওঁ 'জ'ৰ সন্মতিবিনা তাৰ দ্বাৰা 'জ' ক ক্ষতি কৰা, ভীত কৰা বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায়েৰে এনেদৰে কৰিছে, তেন্তে তেওঁ 'জ'ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(চ) 'ক'ই অভিপ্ৰায়েৰে কোনো তিৰোতাৰ ওৰণি গুচাই দিলে। ইয়াত 'ক'ই অভিপ্ৰায়েৰে তেওঁৰ প্ৰতি বল প্ৰয়োগ কৰিছে, আৰু যদিহে তেওঁ তিৰোতা গৰাকীৰ সন্মতিবিনা, এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তাৰ দ্বাৰা তেওঁ তিৰোতা গৰাকীক ক্ষতি কৰিব, ভীত কৰিব বা বিৰক্ত কৰিব পাৰে, তেন্তে তেওঁ তিৰোতা গৰাকীৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ছ) 'জ'ই স্নান কৰি আছে। স্নান কৰা পানীখিনিত 'ক'ই পানী ঢালি দিলে, যি পানী উতলি থকা বুলি তেওঁ জানে। ইয়াত 'ক'ই অভিপ্ৰায় পূৰ্বক তেওঁৰ দৈহিক শক্তিৰ দ্বাৰা উতলি থকা পানীখিনিৰ এনে

গতি ঘটালে যি গতিয়ে সেই পানীখিনি 'জ'ৰ সংস্পৰ্শলৈ, বা এনেদৰে থকা আন পানীৰ সংস্পৰ্শলৈ আনিলে যে তেনে সংস্পৰ্শই 'জ'ৰ অনুভূতি জ্ঞান নিশ্চয় প্ৰভাৱিত কৰিব, গতিকে 'ক'ই অভিপ্ৰায়েৰে 'জ'ৰ প্ৰতি বল প্ৰয়োগ কৰিছে ; আৰু যদিহে তেওঁ এইটো 'জ'ৰ সন্মতি বিনা এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তেওঁ তাৰ দ্বাৰা 'জ'ক ক্ষতি কৰিব, ভয় বা বিৰক্তি ওপজাব পাৰে, তেন্তে 'ক'ই আপৰাধিক বল প্ৰয়োগ কৰিছে।

(জ) 'ক'ই 'জ'ৰ সন্মতি বিনা এটা কুকুৰক 'জ'ৰ ওপৰত জপিয়াই উঠিবলৈ উচটালে। ইয়াত যদিহে 'ক'ই 'জ'ৰ ক্ষতি কৰাৰ, ভয় বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায় কৰিছে, তেন্তে তেওঁ 'জ'ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

অভ্যাঘাত

৩৫১। যিয়ে, কোনো অংগিভংগি বা কোনো প্ৰস্তুতি এনে অভিপ্ৰায়েৰে কৰে বা এইটো সম্ভাব্য বুলি জানিও কৰে যে, এনে অংগিভংগি বা প্ৰস্তুতিয়ে উপস্থিত থকা কোনো ব্যক্তিৰ মনত এনে আশংকা জন্মায় যে তেনে অংগিভংগি বা প্ৰস্তুতি কৰা ব্যক্তিজনে সেই ব্যক্তিজনৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিবলৈ ওলাইছে, তেওঁ অভ্যাঘাত সংঘটিত কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - কেৱল কথাই অভ্যাঘাত এটাৰ পৰ্য্যায়ভুক্ত নহয়। কিন্তু এজন ব্যক্তিয়ে প্ৰয়োগ কৰা কথাবোৰ তেওঁৰ অংগিভংগি বা প্ৰস্তুতিৰ এনে এটা অৰ্থ দিব পাৰে যিটোৱে সেই অংগিভংগি বা প্ৰস্তুতিবোৰক অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত কৰিব পাৰে।

**দৃষ্টান্তসমূহ**

(ক) 'ক'ই 'জ'ৰ প্ৰতি তেওঁৰ মুঠিটো এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও জোকাৰিলে যে তেওঁ তাৰ দ্বাৰা 'জ'ৰ মনত এনেদৰে বিশ্বাস ওপজাব পাৰে যে 'ক'ই 'জ'ক মাৰিবলৈ ওলাইছে। 'ক'ই এটা অভ্যাঘাত কৰিলে।

(খ) 'ক'ই এটা হিংস্ৰ কুকুৰৰ মুখ বন্ধনী এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও খুলিবলৈ আৰম্ভ কৰিলে যে তেওঁ তাৰ দ্বাৰা 'জ'ৰ মনত এনেদৰে বিশ্বাস ওপজাব পাৰে যে তেওঁ কুকুৰটোৰ দ্বাৰা 'জ'ক আক্ৰমণ কৰাবলৈ ওলাইছে। 'ক'ই 'জ'ৰ প্ৰতি এটা অভ্যাঘাত কৰিলে।

(গ) 'মই তোমাক এপিটন দিম' 'জ'ক এই বুলি কৈ 'ক'ই এডাল লাঠি ললে। ইয়াত, যদিহে 'ক'ই প্ৰয়োগ কৰা শব্দবোৰ কোনো ক্ষেত্ৰতেই অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব নোৱাৰে, আৰু যদিহে কেৱল অংগিভংগিয়েই আন কোনো পৰিস্থিতিৰ অবৰ্ত্তমানত অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব নোৱাৰিলেহেতেন, তথাপিও অংগিভংগিটো কথাখিনিৰে স্পষ্টীকৰণ হোৱাৰ পাছত অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব পাৰে।

**গম্ভীৰ প্ৰকোপনত কৰাৰ বাহিৰে অন্যথা অভ্যাঘাত বা আপৰাধিক বলৰ বাবে দণ্ড।**

৩৫২। যিয়ে, কোনো ব্যক্তিক সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত বাহিৰে অন্যথা অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি পাচঁশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে, দণ্ডিত হব।

**স্পষ্টীকৰণ** - গম্ভীৰ আৰু আচম্বিত প্ৰকোপনে এই ধাৰাৰ অধীনৰ দণ্ড লঘু নকৰে যদিহে অপৰাধীজনৰ দ্বাৰা অপৰাধটোৰ কাৰণ হিচাপে প্ৰকোপনটো বিচৰা হয় বা স্বেচ্ছাকৃতভাৱে প্ৰকোপিত কৰা হয়, বা

যদিহে, বিধিৰ পালনক্ৰমে কোনো কাৰ্য্য কৰি প্ৰকোপনটো দিয়া হয়, বা কোনো লোকসেৱকৰ দ্বাৰা তেনে লোকসেৱকৰ ক্ষমতাৰ বিধিসন্মত প্ৰয়োগত, বা

যদিহে, প্ৰকোপনৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধিসন্মত প্ৰয়োগত কোনো কাৰ্য্য কৰি দিয়া হয়,

অপৰাধটো লঘু কৰিব পৰাকৈ প্ৰকোপনটো গম্ভীৰ আৰু আচম্বিত আছিল নে নাই, এইটো এটা তথ্যৰ প্ৰশ্ন।

**লোক সেৱকক তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাত বিৰত কৰিবলৈ কৰা অভ্যাঘাত বা আপৰাধিক বল।**

৩৫৩। যিয়ে, এনে কোনো ব্যক্তিক, যিজন ব্যক্তিয়ে লোকসেৱক হৈ তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰি থাকোতে, বা সেই ব্যক্তিজনক তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন নিবাৰিত কৰাৰ বা বিৰত কৰাৰ অভিপ্ৰায়েৰে বা তেনে ব্যক্তিয়ে তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্যৰ বিধিসন্মত নিৰ্বহন কৰি কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে, অভ্যাঘাত কৰে বা আপৰাধিক বল

প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

নাৰীৰ শালীনতা হানি কৰা অভিপ্ৰায়েৰে তেনে নাৰীৰ প্ৰতি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৪। যিয়ে, কোনো নাৰীৰ শালীনতা হানি কৰাৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তেওঁ তাৰ দ্বাৰা তেওঁৰ শালীনতা হানি কৰিব, কোনো নাৰীক অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

ব্যক্তিক অসন্মান কৰাৰ অভিপ্ৰায়েৰে গম্ভীৰ প্ৰকোপনত বাহিৰে অন্যথা কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৫। যিয়ে, কোনো এজন ব্যক্তিক, তাৰ দ্বাৰা সেই ব্যক্তিজনক অসন্মান কৰাৰ অভিপ্ৰায়েৰে সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত বাহিৰে অন্যথা অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

কোনো ব্যক্তিয়ে বহন কৰি নিয়া সম্পত্তি চুৰি কৰাৰ প্ৰয়াস কৰি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৬। যিয়ে, কোনো ব্যক্তিক, সেই সময়ত সেই ব্যক্তিজনে পিন্ধি থকা বা বহন কৰি নিয়া কোনো সম্পত্তি চুৰি কৰিবলৈ প্ৰয়াস কৰি অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰিবলৈ প্ৰয়াস কৰি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৭। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনক দোষপূৰ্বক পৰিৰোধ কৰিবলৈ প্ৰয়াস কৰি, অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

গম্ভীৰ প্ৰকোপনত কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৮। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অন্তিম ধাৰাটো ধাৰা ৩৫২ যি স্পষ্টীকৰণৰ অধ্যধীন সেই একেটা স্পষ্টীকৰণৰেই অধ্যধীন।

**মনুষ্যাপহৰণ, অপহৰণ, দাসত্ব আৰু বলেৰে কৰোৱা শ্ৰমৰ বিষয়ে**

মনুষ্যাপহৰণ।

৩৫৯। মনুষ্যাপহৰণ দুই প্ৰকাৰৰ, [১] [ভাৰত]ৰ পৰা মনুষ্যাপহৰণ আৰু বিধিসন্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ।

ভাৰতৰ পৰা মনুষ্যাপহৰণ।

৩৬০। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তি জনৰ বা সেই ব্যক্তিজনৰ হকে সন্মতি দিবলৈ বৈধৰূপে প্ৰাধিকৃত কোনো ব্যক্তিৰ সন্মতিবিনা, [১][ভাৰত] ৰ পৰিসীমাৰ বাহিৰলৈ পাৰ কৰি নিয়ে, তেওঁ সেই ব্যক্তিজনক [১][ভাৰত]ৰ পৰা মনুষ্যাপহৰণ কৰা বুলি কোৱা হয়।

বিধিসন্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ।

৩৬১। যিয়ে, কোনো অবয়স্কক, [২][যোল্ল] বছৰ বয়সৰ তলত থকা যদিহেপুৰুষ হয়, বা [৩][ওঠৰ] বছৰ বয়সৰ তলত থকা যদিহে নাৰী হয়, বা অসুস্থ চিত্তৰ কোনো ব্যক্তিক, তেনে অবয়স্ক বা অসুস্থ চিত্তৰ ব্যক্তিৰ বিধিসন্মত অভিভাৱকৰ ৰক্ষণাবেক্ষণৰ পৰা তেনে অভিভাৱকৰ সন্মতিবিনা আতৰাই লৈ যায় বা ফুচুলাই নিয়ে, তেওঁ তেনে অবয়স্কক বা ব্যক্তিক বিধিসন্মত অভিভাবকত্বৰ পৰা মনুষ্যাপহৰণ কৰা বুলি কোৱা হয়।

---

১। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিক ভাবে অনুকূলন আদেশ, ১৯৪৮, অঃ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

২। ১৯৪৯ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "চৈধ্য"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। একে অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "যোল্ল"ৰ বাবে প্ৰতিষ্ঠাপিত।

**স্পষ্টীকৰণ** - এই ধাৰাত 'বিধিসন্মত অভিভাৱক' শব্দসমূহে তেনে অবয়স্ক বা অন্য ব্যক্তিৰ তত্ত্বাৱধান বা অভিৰক্ষাৰ ভাৰ বিধিসন্মত ভাৱে ন্যস্ত হোৱা কোনো ব্যক্তিকো অন্তৰ্ভুক্ত কৰে।

ব্যতিক্ৰম - এই ধাৰাটো এনে কোনো ব্যক্তিলৈ বিস্তাৰিত নহয় যিজন সদ্ বিশ্বাসত তেওঁ নিজকে এজন অবৈধ সন্তানৰ পিতৃ বুলি বিশ্বাস কৰে, বা যিজন সদ্ বিশ্বাসত তেওঁ নিজকে তেনে সন্তানৰ বিধি সন্মত অভিৰক্ষাৰ বাবে হক্‌দাৰ বুলি বিশ্বাস কৰে, যদিহে তেনে কাৰ্য্য কোনো অনৈতিক বা অবৈধ উদ্দেশ্যৰ বাবে সংঘটিত কৰা নহয়।

অপহৰণ।

৩৬২। যিয়ে, কোনো ব্যক্তিক কোনো স্থানৰ পৰা যাবলৈ বলেৰে বাধ্য কৰে বা কোনো প্ৰতাৰণামূলক উপায়েৰে উৎপ্ৰেৰিত কৰে, তেওঁ সেই ব্যক্তিজনক অপৰহণ কৰা বুলি কোৱা হয়।

মনুষ্যাপৰহণৰ বাবে দণ্ড।

৩৬৩। যিয়ে, কোনো ব্যক্তিক [1][ভাৰত] ৰ পৰা বা বিধিসন্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

ভিক্ষা কৰাৰ উদ্দেশ্যে অবয়স্কক মনুষ্যাপহৰণ কৰা বা অংগহীন কৰা।

[2][৩৬৩ক।(১) যিয়ে, কোনো অবয়স্কক মনুষ্যাপহৰণ কৰে বা অবয়স্কৰ বিধিসন্মত অভিভাৱক নোহোৱাকৈ, অবয়স্কজনৰ অভিৰক্ষাৰ ভাৰ লাভ কৰে, যাতে এনে অবয়স্কক ভিক্ষা কৰাৰ বাবে নিযুক্তি কৰিব বা ব্যৱহাৰ কৰা যায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডণীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(২) যিয়ে, কোনো অবয়স্কক অঙ্গহীন কৰে যাতে তেনে অবয়স্কক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰিব পৰা যায়, তেওঁ আজীৱন কাৰাবাসৰে দণ্ডনীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(৩) যি ক্ষেত্ৰত কোনো ব্যক্তিয়ে, যিজন অবয়স্ক এজনৰ বিধিসন্মত অভিভাৱক নহয়, তেনে অবয়স্ক জনক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰে, প্ৰতিকূলে প্ৰমাণিত নহলে এইটো প্ৰাক্‌ধাৰণা কৰা হব, যে তেওঁ সেই অবয়স্কজনক মনুষ্যাপহৰণ কৰিছিল বা আন প্ৰকাৰে তেওঁৰ অভিৰক্ষা লাভ কৰিছিল যাতে সেই অবয়স্কজনক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰিব পৰা যায়।

(৪) এই ধাৰাত -

(ক) "ভিক্ষা কৰা" মানে—

(I) গান গোৱাৰ, নচাৰ, ভাগ্য গণনা কৰাৰ, কৌশল প্ৰদৰ্শনৰ ভাওঁ জুৰিয়ে হওঁক বা বস্তু বিক্ৰী কৰিয়েই হওঁক বা অন্যথাই হওঁক, ৰাজহুৱা স্থানত ভিক্ষা খোজা বা ভিক্ষা লোৱা ;

(II) ভিক্ষা খোজা বা ভিক্ষা লোৱাৰ উদ্দেশ্যে কোনো ব্যক্তিগত প্ৰাঙ্গনত প্ৰৱেশ কৰা ;

(III) ভিক্ষা লাভ বা আদায় কৰাৰ উদ্দেশ্যে তেওঁৰ নিজৰেই হওঁক বা আন কোনো ব্যক্তিৰেই হওঁক বা জীৱ জন্তুৰ হওঁক কোনো ঘা, আঘাত, ক্ষতি, বিকলাঙ্গতা বা বেমাৰ উদঙ্গাই ৰখা বা প্ৰদৰ্শন কৰা;

(IV) ভিক্ষা খোজা বা লোৱাৰ বাবে অবয়স্কক প্ৰদৰ্শিতৰ ৰূপত ব্যৱহাৰ কৰা;

(খ) "অবয়স্ক" মানে -

(I) পুৰুষৰ ক্ষেত্ৰত, ষোল্ল বছৰ বয়সৰ তলত এজন ব্যক্তি, আৰু

(II) নাৰীৰ ক্ষেত্ৰত, ওঠৰ বছৰ বয়সৰ তলৰ এগৰাকী ব্যক্তি।]

---

১। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিক ভাবে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

২। ১৯৫৯ চনৰ ৯ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-১-১৯৬০ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**হত্যা কৰাৰ বাবে কৰা মনুষ্যাপহৰণ বা অপহৰণ।**

৩৬৪। যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ কৰে বা অপহৰণ কৰে যাতে তেনে ব্যক্তিক হত্যা কৰিব পৰা যায় বা যাতে তেওঁৰ এনেদৰে ব্যৱস্থা কৰিব পৰা যায় যেন তেওঁক হত্যা কৰাৰ বিপদৰ সন্মুখীনহে কৰা যায়, তেওঁ [১][ আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্তসমূহ

(ক) দেৱমূৰ্ত্তিৰ উদ্দেশ্যে 'জ'ক বলি দিয়াৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে 'জ'ক বলি দিয়া হব 'ক' ই 'জ' ক [২][ভাৰত] ৰ পৰা মনুষ্যাপৰহণ কৰিলে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

(খ) 'ক' ই 'খ' ক তেওঁৰ ঘৰৰ পৰা বলপূৰ্বক ধৰি নিলে বা ফুচুলাই নিলে যাতে 'খ'ক হত্যা কৰিব পৰা যায়। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

**মুক্তিধন, ইত্যাদিৰ বাবে মনুষ্যাপহৰণ।**

৩৬৪ ক। [৩][যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ কৰে বা এনে মনুষ্যাপহৰণ বা অপহৰণৰ পিছত কোনো ব্যক্তিক নিৰোধ কৰি ৰাখে, আৰু এনে ব্যক্তিক মৃত্যু ঘটাবলৈ বা আঘাত দিয়াবলৈ ভাবুকি দিয়ে বা তেওঁৰ আচৰণৰ দ্বাৰা এনে ব্যক্তিক মৃত্যু ঘটোৱাৰ বা আঘাত দিয়াৰ যুক্তিসঙ্গত আশঙ্কাৰ উদ্ভৱ হয়, বা কোনো কাৰ্য্য কৰিবলৈ বা কোনো কাৰ্য্য কৰাৰ পৰা বিৰত ৰাখিবলৈ বা কোনো মুক্তি ধন আদায় দিবলৈ চৰকাৰ বা [৪][ কোনো বিদেশী ৰাজ্য বা আৰ্ন্ত ৰাষ্ট্ৰীয়, আন্তঃচৰকাৰী সংস্থা বা আন কোনো ব্যক্তিক] বাধ্য কৰিবলৈ এনে ব্যক্তিক আঘাত দিয়ায় বা মৃত্যু কাৰিত কৰায়, তেওঁ মৃত্যু বা আজীৱন কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**কোনো ব্যক্তিক গোপনে আৰু দোষ পূৰ্বক পৰিৰোধ কৰি ৰখাৰ অভিপ্ৰায়েৰে কৰা মনুষ্যাপহৰণ বা অপহৰণ।**

৩৬৫। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনক গোপনে আৰু দোষপূৰ্বক পৰিৰোধ কৰি ৰখাবৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ কৰে বা অপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**বিবাহ আদি কৰিবলৈ বাধ্য কৰাৰ কাৰণে কোনো নাৰীক মনুষ্যাপহৰণ, অপৰহণ বা উৎপ্ৰেৰিত কৰা।**

৩৬৬। যিয়ে, কোনো নাৰীৰ মনুষ্যাপহৰণ বা অপহৰণ তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে কোনো ব্যক্তিৰ সৈতে বিবাহ কৰাৰ কাৰণে সেই নাৰীক বাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বাধ্য কৰা হব এইটো সম্ভাব্য বুলি জানি বা অবৈধ সঙ্গম কৰাৰ নিমিত্তে সেই নাৰীক বাধ্য বা প্ৰলোভিত কৰাৰ নিমিত্তে বা সেই নাৰীক অবৈধ সঙ্গম কৰাৰ নিমিত্তে বাধ্য বা প্ৰলোভিত হব এইটো সম্ভাব্য বুলি জানি, কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব [৫][আৰু যিয়েই কোনো নাৰীক কোনো অন্য ব্যক্তিৰ সৈতে অবৈধ সঙ্গম কৰাৰ নিমিত্তে বাধ্য বা প্ৰলোভিত কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য বুলি জানি এই সংহিতাত যথা পৰিভাষিত আপৰাধিক

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাবে অঃ আদেশ ১৯৪৮, অঃ আঃ ১৯৫০ আৰু অঃ আঃ ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তভাৱে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

৩। ১৯৯৩ ৰ ৪২ নং অধিনিয়মৰ দ্বাৰা ধাৰা ৩৬৪ ক অন্তঃস্থাপিত।

৪। ১৯৯৫ চনৰ ২৪ নং অধিনিয়মৰ 'আন কোনো ব্যক্তি' শব্দসমূহৰ বাবে "কোনো বিদেশী ৰাজ্য বা অৰ্ন্তৰাষ্ট্ৰীয়, অন্তঃচৰকাৰী সংস্থা বা আন কোনো ব্যক্তি" শব্দসমূহ প্ৰতিষ্ঠাপিত।

৫। ১৯২৩ চনৰ ২০ নং অধিনিয়মৰ ধাৰা ২ ৰদ্বাৰা সংযুক্ত কৰা হৈছে।

ভীতি প্ৰদৰ্শনৰ দ্বাৰা বা প্ৰাধিকাৰৰ অপব্যৱহাৰৰ দ্বাৰা বা বাধ্য কৰাৰ আন কৌশলৰ দ্বাৰা সেই নাৰীক কোনো স্থানৰ পৰা যাবলৈ উৎপ্ৰেৰিত কৰে তেওঁ পূৰ্বোক্ত প্ৰকাৰেৰে দণ্ডনীয় হব।

অবয়স্কা বালিকা সংগ্ৰহ।

[1][৩৬৬ক। যিয়ে, ওঠৰ বছৰ বয়সৰ তলৰ কোনো অবয়স্কা ছোৱালীক অন্য ব্যক্তিৰ সৈতে অবৈধ সঙ্গম কৰাৰ বাবে বাধ্য বা প্ৰলোভিত কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য জানি এনে ছোৱালীক কোনো স্থানৰ পৰা যাবলৈ বা কাৰ্য্য কৰিবলৈ যিয়েই নহওঁক, কোনো উপায়ে উৎপ্ৰেৰিত কৰে, তেওঁ কাৰাবাসৰে, যি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

বিদেশৰ পৰা ছোৱালী আমদানি কৰা।

৩৬৬খ। যিয়ে, ভাৰতৰ বাহিৰৰ যি কোনো দেশৰ পৰা [2][বা জম্মু আৰু কাশ্মীৰ ৰাজ্য]ৰ পৰা, একৈশ বছৰ বয়সৰ তলৰ কোনো ছোৱালী [3][ভাৰত] লৈ আমদানি, তেওঁক আন এজন ব্যক্তিৰ লগত অবৈধ সঙ্গম কৰিবলৈ বাধ্য কৰা হব বা প্ৰলোভিত কৰা অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা তেওঁক বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য জানি কৰে [4]xxx তেওঁ কাৰাবাসৰে, যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।]

ব্যক্তিক গুৰুতৰ আঘাত, দাসত্ব ইত্যাদিৰ অধ্যধীন কৰাৰ উদ্দেশ্যে মনুষ্যাপহৰণ বা অপহৰণ।

৩৬৭। যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ এই কাৰণে কৰে যাতে তেওঁক গুৰুতৰ আঘাত বা দাসত্ব বা কোনো ব্যক্তিৰ অস্বাভাৱিক কাম বাসনাৰ অধ্যধীন কৰিব পৰা যায় বা তেনেদৰে অধ্যধীন কৰাৰ বিপদত যাতে তেওঁ পৰে সেইদৰে ব্যৱস্থা কৰা হয় বা এইটো সম্ভাব্য বুলি জানি কৰে যে তেনে ব্যক্তিক এনে ধৰণে অধ্যধীন কৰা হব বা ব্যৱস্থা কৰা হব, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

মনুষ্যাপহৰণ কৰা বা অপহৰণ কৰা ব্যক্তিক দোষপূৰ্বক লুকাই ৰখা বা পৰিৰোধত ৰখা।

৩৬৮। যিয়ে, কোনো এজন ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ কৰা হৈছে বুলি জানিও, তেনে ব্যক্তিক দোষপূৰ্বক লুকাই ৰাখে বা পৰিৰোধত, ৰাখে তেওঁ সেই একে ধৰণে দণ্ডিত হব যেনিবা তেওঁ তেনে ব্যক্তিক সেই একে অভিপ্ৰায়েৰে বা জ্ঞানেৰে বা সেই একে উদ্দেশ্যে মনুষ্যাপহৰণ কৰিছিল বা অপহৰণ কৰিছিল যি অভিপ্ৰায়েৰে বা যি প্ৰয়োজনৰ বাবে তেওঁ তেনে ব্যক্তিক লুকাই ৰাখিছে বা পৰিৰোধত ৰাখিছে।

দহ বছৰৰ তলৰ শিশুক তাৰ শৰীৰৰ পৰা চুৰি কৰাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ বা অপহৰণ কৰা।

৩৬৯। যিয়ে, দহ বছৰ বয়সৰ তলৰ কোনো শিশুক, তেনে শিশুৰ শৰীৰৰ পৰা কোনো অস্থাৱৰ সম্পত্তি অসাধু ভাৱে লোৱাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ বা অপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

কোনো ব্যক্তিক দাসৰূপে ক্ৰয় বা হস্তান্তৰ কৰা।

৩৭০। যিয়ে, কোনো ব্যক্তিক দাসৰূপে আমদানি কৰে, ৰপ্তানি কৰে, অপসাৰণ কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে বা হস্তান্তৰ কৰে, বা কোনো ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে দাসৰূপে গ্ৰহণ কৰে, লয় বা নিৰোধ কৰি ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, তেওঁ জৰিমনাৰ বাবেও দায়ী হব।

অভ্যাসিক ভাৱে দাসৰ ব্যৱসায় কৰা।

৩৭১। যিয়ে, অভ্যাসিক ভাৱে দাস আমদানি কৰে, ৰপ্তানি কৰে, অপসাৰিত কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে ব্যৱসায় কৰে, বা ব্যৱহাৰ কৰে, তেওঁ [5][ আজীৱন কাৰাবাস] ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৯২৩ চনৰ ২০ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰদ্বাৰা অন্তঃস্থাপিত।

৩। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অনু কূলন আদেশ, ১৯৪৮, অঃ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম ধাৰা আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তমতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

৪। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ লোপ কৰা হৈছে।

৫। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

বেশ্যাবৃত্তি ইত্যাদিৰ উদ্দেশ্যে অবয়স্কক বিক্ৰী কৰা।

৩৭২। যিয়ে, [১][ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তিক, তেনে ব্যক্তিক যি কোনো সময়ত কোনো ব্যক্তিৰ লগত বেশ্যাবৃত্তি বা অবৈধ সঙ্গমৰ বাবে লগোৱা বা ব্যৱহাৰ কৰাৰ অভিপ্ৰায়েৰে বা কোনো বিধি বিৰুদ্ধ বা অনৈতিক উদ্দেশ্যৰ বাবে, বা তেনে ব্যক্তিক যি কোনো বয়সত তেনে কোনো উদ্দেশ্যত লগোৱা বা ব্যৱহৃত কৰা সম্ভাব্য বুলি জানিও, বিক্ৰী কৰে, ভাৰালৈ দিয়ে বা অন্য ধৰণে হস্তান্তৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

[২][**স্পষ্টীকৰণ ১** - যেতিয়া ওঠৰ বছৰ তলৰ নাৰীক কোনো বেশ্যালয় বা এনে কোনো ব্যক্তিলৈ, যিজনে বেশ্যালয় চলায় বা পৰিচালনা কৰে, বিক্ৰী কৰা হয়, ভাৰালৈ দিয়া হয় বা অন্যথা হস্তান্তৰ কৰা হয় তেনে নাৰীৰ তেনেদৰে হস্তান্তৰ কৰা ব্যক্তিজনক, তাৰ প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্য্যন্ত, এনেদৰে প্ৰাক্‌ধাৰণা কৰি লোৱা হব যে তেওঁ তাইক এনে অভিপ্ৰায়েৰে হস্তান্তৰ কৰিছে যে তাইক বেশ্যাবৃত্তিৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হব।

**স্পষ্টীকৰণ** ২ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে "অবৈধ সঙ্গম" মানে বিবাহৰ দ্বাৰা বা এনে কোনো সংযোগ বা বান্ধোনৰ দ্বাৰা, যিটো যদিও বিবাহৰ পৰ্য্যায়ৰ নহয়, তেওঁলোকৰ সম্প্ৰদায়ৰ বা যি ক্ষেত্ৰত তেওঁলোক বেলেগ বেলেগ সম্প্ৰদায়ভুক্ত হয়, তেনে ক্ষেত্ৰত উভয় সম্প্ৰদায়ৰ স্বীয় বিধি বা প্ৰথাৰ দ্বাৰা তেওঁলোকৰ মাজত বিবাহসদৃশ সম্বন্ধ হোৱা বুলি স্বীকৃত, একত্ৰিত নোহোৱা ব্যক্তিবোৰৰ মাজত যৌন সঙ্গম বুজায়।]

বেশ্যাবৃত্তি আদিৰ বাবে অবয়স্ক ক্ৰয় কৰা।

৩৭৩। যিয়ে, [১][ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তিক এই অভিপ্ৰায়েৰে যে তেনে ব্যক্তিক কোনো বয়সত বেশ্যাবৃত্তি বা কোনো ব্যক্তিৰ লগত অবৈধ সঙ্গম কৰাৰ বাবে বা কোনো বিধি বিৰুদ্ধ অনৈতিক উদ্দেশ্যৰ বাবে কামত লগোৱা হব বা ব্যৱহাৰ কৰা হব বা এইটো সম্ভাব্য জানি যে তেনে ব্যক্তিক কোনো বয়সত] এনে কোনো উদ্দেশ্যৰ বাবে কামত লগোৱা হব বা ব্যৱহাৰ কৰা হব, ক্ৰয় কৰে, ভাড়ালৈ লয় বা অন্যথা তেওঁৰ দখল লাভ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

[৩][**স্পষ্টীকৰণ ১** - কোনো বেশ্যা বা বেশ্যালয় চলাই থকা বা পৰিচালনা কৰি থকা কোনো ব্যক্তি, যিজনে ওঠৰ বছৰ বয়সৰ তলৰ নাৰীক ক্ৰয় কৰে, ভাড়ালৈ লয় বা অন্যথা তেওঁৰ দখল লাভ কৰে প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্য্যন্ত এইটো প্ৰাকধাৰণা কৰা হব যে তেওঁ এনে অভিপ্ৰায়েৰে তেনে নাৰীৰ দখল লাভ কৰিছে যে নাৰী জনীক বেশ্যা বৃত্তিৰ বাবে ব্যৱহাৰ কৰা হব।

**স্পষ্টীকৰণ ২** - "অবৈধ সঙ্গম"ৰ অৰ্থ ধাৰা ৩৭২ ত থকাৰ দৰে একেই হব।]

বিধি বিৰুদ্ধ বাধ্যতামূলক শ্ৰম।

৩৭৪। যিয়ে, বিধি বিৰুদ্ধ ভাবে কোনো ব্যক্তিক সেই ব্যক্তিজনৰ ইচ্ছাৰ বিৰুদ্ধে শ্ৰমৰ বাবে বাধ্য কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

### [৪][ যৌন অপৰাধবোৰ ]

ধৰ্ষণ।

৩৭৫। এজন মানুহে "ধৰ্ষণ" কৰা বুলি কোৱা হয় যেতিয়া তেওঁ ইয়াৰ পিছত ব্যতিক্ৰম কৰা ক্ষেত্ৰ ব্যতিৰেকে নিম্নোক্ত ছয়টা বৰ্ণনাৰ যি কোনো এটা পৰিস্থিতিত কোনো নাৰীৰ লগত যৌন সগম কৰে।

**প্ৰথম** - সেই নাৰীৰ ইচ্ছাৰ বিৰুদ্ধে।

**দ্বিতীয়** - সেই নাৰীৰ সন্মতি বিনা।

---

১। ১৯২৪ চনৰ ১৮ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা কিছুমান মূল শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯২৪ চনৰ ১৮ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৮৩ চনৰ অধিনিয়মৰ সংখ্যা ৪৩ ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**তৃতীয়** - সেই নাৰীৰ সন্মতি সহ, যেতিয়া তেওঁৰ সন্মতি তেওঁৰ বা তেওঁ স্বাৰ্থজড়িত হোৱা কোনো ব্যক্তিৰ মৃত্যু বা আঘাতৰ ভয় দেখুৱাই লাভ কৰা হৈছে।

চতুৰ্থ - সেই নাৰীৰ সন্মতি সহ যেতিয়া ব্যক্তিজনে জানে যে তেওঁ তাৰ পতি নহয় আৰু তাই সন্মতি দিছে কাৰণ তাই বিশ্বাস কৰিছে যে তেওঁ আন এজন ব্যক্তি যিজনৰ লগত তাইৰ বিধি সন্মত ভাবে বিবাহ হৈছে বা তাই নিজকে বিধি সন্মত ভাবে বিবাহিতা হোৱা বুলি বিশ্বাস কৰিছে।

**পঞ্চম** - সেই নাৰীৰ সন্মতি সহ, যেতিয়া এনে সন্মতি দিয়াৰ সময়ত তেওঁ অসুস্থ মন বা মাতাল অৱস্থাৰ কাৰণে বা সেই মানুহজনৰ দ্বাৰা ব্যক্তিগত ভাবে বা কোনো অন্য ব্যক্তিৰ জৰিয়তে কোনো অজ্ঞান কাৰী বা অস্বাস্থ্যকৰ পদাৰ্থ দিয়া হোৱাৰ কাৰণে সেই কাৰ্য্যৰ যি বিষয়ে তেওঁ সন্মতি দিছে, প্ৰকৃতি আৰু পৰিণাম বুজিবলৈ অসমৰ্থ।

**ষষ্ঠ** - এই নাৰী গৰাকীৰ সন্মতিসহ বা সন্মতিবিনা, যেতিয়া তাইৰ যোল্ল বছৰতকৈ কম বয়সৰ।

**স্পষ্টীকৰণ** - ধৰ্ষণ অপৰাধটো হবৰ বাবে আৱশ্যকীয় যৌন সঙ্গমটো হবলৈ প্ৰবেশেই যথেষ্ট।

**ব্যতিক্ৰম** - এজন মানুহৰ তেওঁৰ পত্নীৰ সৈতে, যৌন সঙ্গম ধৰ্ষণ নহয়, যেতিয়া পত্নী গৰাকী পোন্ধৰ বছৰ বয়সৰ তলৰ নহয়।

**ধৰ্ষণৰ বাবে দণ্ড।**

৩৭৬। (১) যিয়ে, উপধাৰা (২) ৰ দ্বাৰা উপবন্ধিত ক্ষেত্ৰ সমূহ ব্যতিৰেকে ধৰ্ষণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰতকৈ কম নহব কিন্তু যি আজীৱন বা দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে আৰু জৰিমনাৰ বাবেও দায়ী হব, যদিহে ধৰ্ষিত হোৱা নাৰী গৰাকী তেওঁৰ পত্নী আৰু বাৰ বছৰ বয়সৰ তলৰ তেনে ক্ষেত্ৰত, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব ঃ

পৰন্তু ন্যায়ালয়ে এনে পৰ্য্যাপ্ত আৰু বিশেষ কাৰণত যিটো নিৰ্ণয়ত উল্লেখিত কৰা হব সাত বছৰতকৈ কম অৱধিৰ কাৰাবাসৰ দণ্ডাদেশ দিব পাৰিব।

(২) যিয়ে, —

(ক) আৰক্ষী পদাধিকাৰী হৈ -

(I) তেওঁ নিযুক্ত হোৱা সেই আৰক্ষী থানাৰ সীমাবোৰৰ ভিতৰত ; বা

(II) কোনো থানাৰ প্ৰাঙ্গনত, তেওঁ নিযুক্তি হোৱা এনে থানাত অৱস্থিত হওঁক বা নহওঁক; বা

(III) তেওঁৰ অভিৰক্ষা বা তেওঁৰ অধীনস্থ কোনো আৰক্ষী পদাধিকাৰীৰ অভিৰক্ষাত কোনো নাৰীক ধৰ্ষণ কৰে ; বা

(খ) লোক সেৱক হৈ তেওঁৰ শাসকীয় স্থিতিৰ সুবিধা লৈ তেওঁৰ অভিৰক্ষাত থকা বা তেওঁৰ অধীনস্থ কোনো লোকসেৱকৰ অভিৰক্ষাত থকা কোনো এনে নাৰীক ধৰ্ষণ কৰে ;

(গ) তৎসময় বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা তাৰ অধীনত স্থাপিত কোনো কাৰাগাৰ প্ৰতি প্ৰেৰণ গৃহ বা অভিৰক্ষাৰ আন স্থানৰ বা নাৰী বা শিশু সকলৰ কোনো সংস্থাৰ পৰিচালনা বা কৰ্মচাৰী বৃন্দত থাকি তেওঁৰ শাসকীয় স্থিতিৰ সুবিধা লৈ এনে কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাৰ কোনো নিবাসীক ধৰ্ষণ কৰে ; বা

(ঘ) কোনো চিকিৎসালয়ৰ পৰিচালনা বা কৰ্ম্মচাৰীবৃন্দত, থাকি তেওঁৰ শাসকীয় স্থিতিৰ লাভ উঠাই সেই চিকিৎসালয়ত কোনো নাৰী ধৰ্ষণ কৰে, বা

(ঙ) কোনো নাৰীক গৰ্ভৱতী বুলি জানিও ধৰ্ষণ কৰে, বা

(চ) বাৰ বছৰ বয়সৰ তলৰ কোনো নাৰীক ধৰ্ষণ কৰে ; বা

(ছ) দলবদ্ধভাৱে ধৰ্ষণ কৰে ;

তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰৰ কম নহব কিন্তু যি আজীৱন হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব ঃ

পৰন্তু ন্যায়ালয়ে এনে পৰ্য্যাপ্ত আৰু বিশেষ কাৰণত যিটো নিৰ্ণয়ত উল্লেখ কৰা হব, দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰতকৈ কম হব, দণ্ডাদেশ দিব পাৰিব।

**স্পষ্টীকৰণ** ১ - যি ক্ষেত্ৰত ব্যক্তিসকলৰ সমূহৰূপৰা এক বা অধিক ব্যক্তিৰ দ্বাৰা সকলোৰে উমৈহতীয়া অভিপ্ৰায় অগ্ৰসৰ কৰণত কোনো নাৰীক ধৰ্ষণ কৰে, তেনে ক্ষেত্ৰত এনে ব্যক্তিসকলৰ প্ৰত্যেকেই এই ধাৰাৰ অৰ্থত দলবদ্ধভাৱে ধৰ্ষণ কৰা বুলি গণ্য কৰা হব।

**স্পষ্টীকৰণ** ২ - নাৰী বা শিশুসকলৰ সংস্থা মানে নাৰী সকল আৰু শিশুবোৰ গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ তত্ত্বাৱধান লবলৈ স্থাপিত বা ৰক্ষিত কোনো সংস্থাক বুজায় তাৰ নাম অনাথালয় হওঁক বা অৱহেলিত নাৰী বা শিশুৰ বাবে গৃহই হওঁক বা বিধৱাৰ কাৰণে গৃহই হওঁক বা অন্য নামেই হওঁক।

**স্পষ্টীকৰণ** ৩ - " চিকিৎসালয়" মানে চিকিৎসালয়ৰ প্ৰাঙ্গনক বুজায় আৰু কোনো সংস্থাৰ চৌহদ সমূহো ইয়াৰ অন্তৰ্গত হব যিবিলাক ৰোগ মুক্তিৰ পিছত বিশ্ৰামৰ সময়ৰ ভিতৰত চিকিৎসীয় পৰিচৰ্য্যা বা পুনৰ্বাসৰ প্ৰয়োজন হোৱা ব্যক্তি সকলক গ্ৰহণ আৰু উপচাৰৰ নিমিত্তে হয়।

পৃথক হৈ থকাৰ সময়ত কোনো পুৰুষৰ দ্বাৰা নিজৰ পত্নীৰ সৈতে সঙ্গম।

৩৭৬ ক। যিয়ে, নিজৰ পত্নীৰ সৈতে যি পৃথক কৰণৰ ডিক্ৰী বা কোনো প্ৰথা বা ৰীতিৰ অধীনত তেওঁৰ পৰা পৃথক ভাবে বাস কৰিছে, তেওঁৰ সন্মতি বিনা যৌন সঙ্গম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

লোকসেৱকৰ দ্বাৰা নিজৰ অভিৰক্ষাত থকা কোনো নাৰীৰ সৈতে সঙ্গম।

৩৭৬ খ। যিয়ে, লোক সেৱক হৈ নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ কোনো নাৰীক, যি এনে লোকসেৱক ৰূপে তেওঁৰ অভিৰক্ষাত আছে বা তেওঁৰ অধীনস্থ কোনো লোকসেৱকৰ অভিৰক্ষাত আছে, নিজৰ সৈতে যৌন সঙ্গমৰ বাবে উৎপ্ৰেৰিত বা প্ৰলোভিত কৰে, যি যৌন সঙ্গম ধৰ্ষণৰ অপৰাধৰ পৰ্য্যায়ৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ আদিৰ অধীক্ষকৰ দ্বাৰা সঙ্গম।

৩৭৬ গ। যিয়ে, তৎসময় বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা ইয়াৰ অধীনত স্থাপিত কোনো কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ বা অভিৰক্ষাৰ অন্য স্থানৰ বা নাৰী বা শিশু সকলৰ কোনো সংস্থাৰ অধীক্ষক বা পৰিচালক হৈ নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ আৰু কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাৰ কোনো নাৰী নিবাসীক নিজৰ সৈতে সঙ্গম কৰিবলৈ উৎপ্ৰেৰিত বা প্ৰলোভিত কৰে, যি যৌন সঙ্গম ধৰ্ষণৰ অপৰাধৰ পৰ্য্যায়ৰ নহয় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** ১ - কোনো কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ বা অভিৰক্ষাৰ আন কোনো স্থান বা কোনো নাৰী বা শিশু সংস্থাৰ সম্বন্ধত "অধীক্ষকে" এনে কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰিব, যি ব্যক্তি এনে কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাত এনে কোনো পদত অধিষ্ঠিত যাৰ আধাৰত তেওঁ ইয়াৰ নিবাসীৰ ওপৰত কোনো প্ৰাধিকাৰ বা নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে।

**স্পষ্টীকৰণ** ২ - "নাৰী বা শিশু সংস্থা" অভিব্যক্তিৰ অৰ্থ ধাৰা ৩৭৬ ৰ উপধাৰা (২) ৰ স্পষ্টীকৰণ ২ ত থকাৰ দৰে হব।

চিকিৎসালয়ৰ পৰিচালনা বা কৰ্মচাৰী বৃন্দ আদিৰ কোনো সদস্যৰ দ্বাৰা সেই চিকিৎসালয়ৰ কোনো নাৰীৰ সৈতে সঙ্গম।

৩৭৬ ঘ। যিয়ে, কোনো চিকিৎসালয়ৰ পৰিচালনাত থাকি বা কোনো চিকিৎসালয়ৰ কৰ্মচাৰী বৃন্দত থাকি নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ সেই চিকিৎসালয়ত কোনো নাৰীৰ সৈতে এনে যৌন সঙ্গম কৰে, যিটো ধৰ্ষণ অপৰাধৰ পৰ্য্যায়ৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - "চিকিৎসালয় " অভিব্যক্তিৰ অৰ্থ ধাৰা ৩৭৬ ৰ উপধাৰা (২) স্পষ্টীকৰণ ৩ ত থকাৰ দৰে হব।

### প্ৰকৃতি বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

প্ৰকৃতি বিৰুদ্ধ অপৰাধবোৰ।

৩৭৭। যিয়ে, স্বেচ্ছাই প্ৰকৃতি বিৰুদ্ধ ভাবে কোনো পুৰুষ, নাৰী বা জন্তুৰ সৈতে দৈহিক সঙ্গম কৰে, তেওঁ [১][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাত বৰ্ণিত অপৰাধটো হবলৈ আৱশ্যকীয় দৈহিক সঙ্গমটো হবৰ বাবে প্ৰবেশেই যথেষ্ট।

## অধ্যায় - ১৭

### সম্পত্তিৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

### চুৰিৰ বিষয়ে

চুৰি।

৩৭৮। যিয়ে, কোনো অস্থাৱৰ সম্পত্তি কোনো এজন ব্যক্তিৰ দখলৰ পৰা সেই ব্যক্তিজনৰ সন্মতি বিনা, অসাধুভাবে লোৱাৰ অভিপ্ৰায়েৰে, সেই সম্পত্তি তেনেদৰে লবৰ বাবে স্থানান্তৰ কৰে, তেওঁ চুৰি কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** - অস্থাৱৰ সম্পত্তি নোহোৱা কোনো বস্তু যি পৰ্য্যন্ত ই ভূমিৰ লগত সংলগ্ন হৈ থাকে, চুৰিৰ বিষয় নহয়, কিন্তু যেতিয়াই ইয়াক ভূমিৰ পৰা পৃথক কৰা হয়, ই চুৰিৰ বিষয় হবলৈ যোগ্য হয়।

**স্পষ্টীকৰণ ২**- একেটা কাৰ্য্যৰ দ্বাৰাই স্থানান্তকৰণ যি পৃথক কৰণ প্ৰভাবিত কৰে চুৰি কাৰ্য্য হব পাৰে।

**স্পষ্টীকৰণ ৩** - কোনো ব্যক্তিয়ে এটা বস্তুক এটা প্ৰতিবন্ধক আতঁৰাই যিটোৱে ইয়াক স্থানান্তৰ কৰাত বাধা দিছিল বা ইয়াক আন কোনো বস্তুৰ পৰা পৃথক কৰি তথা ইয়াক প্ৰকৃততে স্থানান্তৰ কৰি স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৪** - কোনো ব্যক্তি, যিজনে কোনো এটা উপায়ে এটা জন্তুক স্থানান্তৰ কৰায়, তেওঁ সেই জন্তুটোক স্থানান্তৰ কৰা বুলি, আৰু এনে সকলোবোৰ বস্তুকে যিবোৰ এনেদৰে উৎপন্ন কৰা গতিৰ পৰিণাম স্বৰূপে সেই জন্তুটোৰ দ্বাৰা স্থানান্তৰ হয়, স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৫** - পৰিভাষাত উল্লেখিত সন্মতিটো অভিব্যক্ত বা বিবক্ষিত হব পাৰে, আৰু হয়তো দখলত থকা ব্যক্তিজনে দিব পাৰে নাইবা আন কোনো ব্যক্তিয়ে দিব পাৰে যাৰ সেই উদ্দেশ্যে হয় অভিব্যক্ত বা বিবক্ষিত প্ৰাধিকাৰ আছে।

### দৃষ্টান্ত সমূহ

(ক) "জ" ৰ দখলৰ পৰা "জ"ৰ সন্মতি বিনা অসাধু ভাবে আতঁৰাই নিয়াৰ অভিপ্ৰায়েৰে "ক"ই "জ"ৰ পথাৰত থকা এডাল গছ কাটি পেলালে। এই ক্ষেত্ৰত যি মূহুৰ্ত্ততে "ক"ই গছ ডাল এনেদৰে লোৱাৰ বাবে পৃথক কৰিলে, তেওঁ চুৰি কৰিলে।

(খ) "ক" ই কুকুৰৰ বাবে এটা টোপ তেওঁৰ জেপত ৰাখিলে আৰু এইদৰে "জ"ৰ কুকুৰটোক এইটো অনুসৰণ কৰিবলৈ উৎপ্ৰেৰিত কৰিলে, এই ক্ষেত্ৰত যদিহে কুকুৰটো "জ"ৰ সন্মতি বিনা "জ"ৰ দখলৰ পৰা অসাধু ভাবে লৈ যোৱাটোৱেই "ক"ৰ অভিপ্ৰায় হয়, তেন্তে যি মূহুৰ্ত্ততে "জ" ৰ কুকুৰটোৱে "ক"ক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়াই "ক"ই চুৰি কৰিলে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসনৰ" বাবে প্ৰতিষ্ঠাপিত।